দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২৮ নৱেম্বৰ, দেওবাৰ, ২০২১ পৃষ্ঠা ১১

# হাঁহিলেও প্ৰতিৰোধ হয় ৰোগ



এগৰাকী ব্যক্তি সুস্থ হৈ থাকিবলৈ যিবোৰ উপাদানৰ প্ৰয়োজন সেইবোৰৰ ভিতৰত অন্যতম হ'ল হাঁহি। কিছুমান ৰোগ প্ৰতিৰোধ আৰু উপশমৰ ক্ষেত্ৰত ঔষধতকৈয়ো অধিক কাৰ্যকৰী হৈ পৰে হাঁহিটো। এটি মিঠা হাঁহিয়ে কেৱল সৌন্দৰ্যৰ প্ৰকাশ নকৰে, সমান্তৰালভাৱে প্ৰতিফলিত কৰে শাৰীৰিক-মানসিকভাৱে ভাৰসাম্য হোৱাৰ ছবিখন। শেহতীয়াভাৱে বহুতো গৱেষণাত এই বুলি প্ৰমাণিত হৈছে যে হাঁহিৰেও ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াটো সম্ভৱ। সেইবাবে এতিয়া ৰোগ প্ৰতিৰোধ আৰু মানসিকভাৱে সুস্থ হৈ থাকিবলৈ ব্যৱহাৰ কৰা হৈছে নতুন পদ্ধতি 'লাফিং থেৰাপী'। সমগ্ৰ বিশ্বতে 'লাফিং ক্লাব'ৰ সদস্যৰ সংখ্যাও বৃদ্ধি পাবলৈ ধৰিছে। হাঁহিক বিশ্বৰ সৰ্বোত্তম ঔষধ হিচাপে গণ্য কৰা হয়। এবাৰ হাঁহিলে ব্যক্তিগৰাকীৰ কমেও ৪৫ মিনিট সময়লৈকে মানসিক চাপমুক্ত হৈ থাকিব পাৰি। হাঁহিলে বহুতো ৰোগে খোপনি পুতিবলৈ সুযোগ নাপায়। এইবোৰ কথা প্ৰায়ভাগ লোকেই জানিও নজনাৰ ভাও ধৰে।

মানুহে যে অনবৰতে হাঁহি থাকিব লাগিব তেনে নহয়।

**নয়ন কুমাৰ শৰ্মা**

আজিকালি কৰ্মব্যস্ততাৰ বাবে চাপ বৃদ্ধি পাইছে। কৰ্মক্ষেত্ৰৰ চাপৰ লগতে পৰিয়ালৰ চাপ আদিৰ সমান্তৰালভাৱে বৃদ্ধি পাইছে হৃদৰোগ, উচ্চ ৰক্তচাপ, ডায়েবেটিছ আদি ৰোগৰ। বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ তথ্য অনুসৰি বিশ্বত ৩০-৭৯ বছৰৰ ১.২৮ বিলিয়ন লোক এনে সমস্যাৰ দ্বাৰা আক্ৰান্ত । আনহাতে ৪৬ শতাংশ প্ৰাপ্ত বয়স্ক লোক উচ্চৰক্তচাপত আক্ৰান্ত হ'লেও এই বিষয়ে জ্ঞাত নহয়। তথ্য অনুসৰি ৪২ শতাংশ প্ৰাপ্ত বয়স্কলোকেহে চিকিৎসকৰ ওচৰলৈ যায়। মূলতঃ এই ৰোগৰ চিকিৎসা নহয় প্ৰায়ভাগ লোকে কৰ্ম ব্যস্ততাক দোহাই দি চিকিৎসকৰ ওচৰলৈ নোযোৱা বাবে। আনহাতে, কিছুমান লোকে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰে যদিও উপযুক্তভাৱে ঔষধ সেৱন নকৰে। কিছুমানে আকৌ ঔষধ সেৱন কৰে যদিও সমান্তৰালভাৱে নাখাবলগীয়া খাদ্য গ্ৰহণৰ লগতে শৃংখলহীন জীৱন-যাপন কৰে। তেওঁলোকৰ মানসিক প্ৰশান্তি নাই বুলি ক'লেও ভুল নহ'ব। পিছে তেওঁলোকে এইটো বুজি নাপায় যে কৰ্মব্যস্ততাৰ মাজতো হাঁহিব জানিলে এনেধৰণৰ ৰোগৰ পৰা হাত সাৰিব পাৰি। হাঁহিবলৈ অতিৰিক্ত সময়ৰ প্ৰয়োজন নাই।



কৰ্ম ব্যস্ততাৰ মাজতো কোনো কথাক লৈ যদি বন্ধু-বান্ধৱী অথবা সহকৰ্মীৰ স'তে কথোপকথন হয় তেতিয়াহ'লে মানসিক চাপো হ্ৰাস পাব। যিমানেই মানসিক চাপমুক্ত হৈ থাকিব সিমানেই উচ্চৰক্তচাপ, ডায়েবেটিছ, হৃদৰোগ আদিৰ পৰা বহু পৰিমাণে হাত সাৰিব পাৰি।


প্ৰায়ভাগ পৰিয়ালত এতিয়া সকলো সদস্যই এদিন একেলগে বহি হাঁহি-ধেমালি কৰাৰ সময় নোহোৱা হৈছে। যিমানেই সময় নোহোৱা হৈছে সিমানেই প্ৰতিটো পৰিয়ালৰে জীৱনশৈলীজনিত ৰোগৰ প্ৰকোপ বৃদ্ধি পায়। আটাইতকৈ গুৰুতৰ সমস্যাটো হ'ল প্ৰতিটো পৰিয়ালতে এতিয়া কিবা নহয় কিবা বিষয়ক লৈ মানসিক সমস্যাত ভোগা একো একোজন সদস্য থকাটো। প্ৰায়ভাগ পৰিয়ালে এনেধৰণৰ বিষয় গাপ দিবলৈ চেষ্টা কৰা বাবে মানসিক ৰোগীৰ সংখ্যা বৃদ্ধি হৈছে। তেতিয়া কম বয়সীয়া ল'ৰা-ছোৱালীও মানসিক ৰোগী হোৱা বাবে পৰিয়াল, সমাজ তথা দেশলৈ আশংকা কঢ়িয়াই আনিছে। অতিসম্প্ৰতি বিশ্ব স্বাস্থ্য সংস্থায়ো বিষয়টোত গুৰুত্ব প্ৰদান কৰিছে। ২০১৯ত বিশ্ব স্বাস্থ্য সংস্থাই মানসিক স্বাস্থ্য সম্পৰ্কীয় কিছুমান বিশেষ অধ্যয়ন আৰম্ভ কৰিছে। ১২খন দেশৰ এশ নিযুত লোকৰ মানসিক সমস্যা হ'লে সমস্যাৰ পৰা মুক্তি পাবলৈ কেনেধৰণৰ পদক্ষেপ ল'ব লাগিব আৰু জীৱন ধাৰণৰ মানৰ ওপৰত অধ্যয়ন চলাইছে। ২০১৮ত বিশ্বত ৯৭০ নিযুত লোক বিভিন্ন ধৰণে মানসিক সমস্যাত আক্ৰান্ত হোৱা বুলি বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্যত প্ৰকাশ পাইছে। ইয়াৰ ভিতৰত ২৮০ নিযুত লোক উৎকণ্ঠাজনিত সমস্যাত ভোগে। বিশ্ব স্বাস্থ্য সংস্থাই এইসকল লোকৰ ওপৰত অধ্যয়ন কৰি এই বুলি মন্তব্য কৰিছে যে প্ৰায়ভাগ লোকেই মুকলিভাৱে কথোপকথন আৰু হাঁহিবলৈ সময় নোপোৱা বাবেই এনে ধৰণৰ মানসিক সমস্যাত ভুগিছে। সাধাৰণ দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলেও এটা কথা স্পষ্ট হৈ পৰে যে যিসকল লোকে হাঁহিব জানে তেওঁলোকৰ বেমাৰ-আজাৰ কম। সাধাৰণতে মন মাৰি থকা লোকসকলৰ মানসিক সমস্যা বেছি। যিমানেই মানসিক সমস্যা বৃদ্ধি পাব সিমানেই শাৰীৰিক ৰোগেও গা কৰি উঠিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে।

হাঁহিলে মানসিক চাপৰ পৰা বহু পৰিমাণে মুক্তি লাভ কৰিব পাৰি। 'ষ্ট্ৰেছ হৰম'ন' হ্ৰাস কৰে। তদুপৰি হাঁহিলে ৰোগ প্ৰতিৰোধী কোষ আদিৰ ক্ষমতা আৰু কাৰ্যকৰিতা বৃদ্ধি পায়। তদুপৰি সংক্ৰমণকাৰীৰ বিৰুদ্ধে এন্টিবডিৰো সৃষ্টি হয়। 'এণ্ডৰফিনছ' নিঃসৰণ হোৱা বাবে শৰীৰটো সতেজ অনুভৱ কৰে। এইবিধ ৰাসায়নিকে শৰীৰৰ বহুতো বিষ আদিৰো প্ৰতিৰোধ কৰে। যিমানেই হাঁহিব সিমানেই উচ্চৰক্তচাপ নিয়ন্ত্ৰণ কৰাৰ লগতে হৃদযন্ত্ৰৰ কাৰ্যক্ষমতাও বৃদ্ধি কৰে। পৰিয়ালৰ লোকসকলে যদি দিনটোৰ ভিতৰত এবাৰ হ'লেও একেলগে বহি মনৰ কথাবোৰ ইজনে-সিজনক কয় তেতিয়াও বহুতো ৰোগৰ পৰা হাত সাৰিব পাৰি। সেয়েহে ৰোগ প্ৰতিৰোধৰ বাবে হ'লেও সকলোৱে হাঁহিবলৈ চেষ্টা কৰা উচিত।

*ফোন ঃ ৯৮৬৪০-৮৪৯৬৯*

তেজত ক'লেষ্টেৰ'লৰ পৰিমাণ বৃদ্ধি মানে বিভিন্ন ধৰণৰ ৰোগৰ আশংকা। ক'লেষ্টেৰ'লৰ বাবে কেৱল যে ৰক্তচাপ আদি বৃদ্ধি হ'ব পাৰে তেনে নহয়, সমান্তৰালভাৱে এলঝেইমাৰৰ ৰোগ হোৱাৰো আশংকা থাকে।

# এলঝেইমাৰ ৰোগৰ কাৰণ অতিৰিক্ত ক'লেষ্টৈৰ'ল




ক'লেষ্টৈৰ'ল শব্দটো শুনাৰ লগে লগে প্ৰায়ভাগ লোকৰে মনত শংকাৰ সৃষ্টি হয়। কিয়নো তেজত ক'লেষ্টৈৰ'লৰ পৰিমাণ বৃদ্ধি মানে বিভিন্ন ধৰণৰ ৰোগৰ আশংকা। ক'লেষ্টৈৰ'লৰ বাবে কেৱল যে ৰক্তচাপ আদি বৃদ্ধি হ'ব পাৰে তেনে নহয়, সমান্তৰালভাৱে এলঝেইমাৰৰ ৰোগ হোৱাৰো আশংকা থাকে। শেহতীয়াভাৱে গৱেষকসকলে এই বুলি মন্তব্য কৰিছে যে দীৰ্ঘদিন ধৰি ক'লেষ্টেৰ'ল নিয়ন্ত্ৰণ হৈ নাথাকিলে লাহে লাহে ইয়াৰ প্ৰভাৱ স্মৃতি নিয়ন্ত্ৰণ কৰা মস্তিষ্কৰ অংশটো পৰিবলৈ ধৰে। সাধাৰণতে বয়স বৃদ্ধিৰ লগে লগে স্মৃতিভ্ৰমৰ সমস্যাই গা কৰি উঠে যদিও আজিকালি বিভিন্ন কাৰণত কম বয়সতেই এনে হোৱা দেখা যায়। শেহতীয়াভাৱে গৱেষকসকলে লাভ কৰা তথ্য অনুসৰি অতিৰিক্তভাৱে যদি দীৰ্ঘদিন ধৰি তেজত ক'লেষ্টৈৰ'ল থাকে তেতিয়াহ'লে স্মৃতিভ্ৰংশৰ সমস্যায়ো গা কৰি উঠাৰ আশংকা বৃদ্ধি পায়। এইবিধ উপাদান তেজত বৃদ্ধি হোৱাৰ আঁৰত বিভিন্ন কাৰণ থাকে। যিসকলে নিয়মীয়াকৈ বেছি কফি পান কৰে তেওঁলোকৰ ক'লেষ্টৈৰ'লৰ পৰিমাণ বৃদ্ধিৰ আশংকা থাকে বুলি গৱেষকসকলে কিছু তথ্য লাভ কৰিছে। ইয়াত থকা কেফিনে ক'লেষ্টৈৰ'ল বৃদ্ধি কৰে। অতিৰিক্ত ক'লেষ্টৈৰ'লে ৰক্ত আৰু মস্তিষ্কৰ বেৰ'মিটাৰত ক্ষতি কৰে। দৰাচলতে বেছি কেফিন খোৱাৰ ফলত ইয়াৰ প্ৰভাৱ কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ ওপৰত পৰে। দীৰ্ঘদিন ধৰি কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ ওপৰত এনেদৰে প্ৰভাৱ পৰিলে স্মৃতিশক্তি হ্ৰাস পোৱাৰ উপক্ৰম ঘটে। এইটো সকলোৱে জ্ঞাত যে প্ৰত্যেকৰে স্মৃতিশক্তি আদি সক্ৰিয় আৰু সজীৱ তেতিয়ালৈ হৈ থাকে যেতিয়ালৈকে কেন্দ্ৰীয় স্নায়ুতন্ত্ৰ শক্তিশালী হৈ থাকে। সেই বাবে যিসকলে দিনটোৰ ভিতৰত বেছিকৈ কফি সেৱন কৰে তেওঁলোকে এই ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰা উচিত। কেফিনৰ বাবে এলঝেইমাৰৰ ৰোগৰ উপৰি আন বহুতো স্নায়ু ৰোগ হোৱাৰ আশংকা থকা বুলিও গৱেষকসকলে মন্তব্য কৰিছে।

# কাহৰ ঔষধ খাওঁতে হওক সাৱধান



আজিকালি কাহ হ'লেই নিজৰ ইচ্ছামতে কফ ছিৰাপ খোৱাৰ প্ৰৱণতা প্ৰায়ভাগ লোকৰে মনত বৃদ্ধি পাইছে। প্ৰায়ভাগ ক্ষেত্ৰতে দেখা যায় যে কফ ছিৰাপ নিজ ইচ্ছা মতে ফাৰ্মাচীৰ পৰা আনি চিকিৎসকৰ পৰামৰ্শ অবিহনে নিৰ্দিষ্ট পৰিমাণতকৈ বেছিকৈ খায়। দীৰ্ঘদিন ধৰি এনেদৰে কফ ছিৰাপ খোৱাৰ ফলত বিভিন্ন ধৰণৰ সমস্যাই গা কৰি উঠে। আনকি কেতিয়াবা জটিল সমস্যাৰ ফলতো চিকিৎসালয়ত ভৰ্তি হ'বলগীয়া অৱস্থাৰো সৃষ্টি হৈছে। তদুপৰি বেছিকৈ এনেধৰণৰ ঔষধ খোৱাৰ ফলত যি অভ্যাস গঢ়ি উঠে সেয়াই ভয়াৱহ বিপদৰ সংকেত দিয়ে। দীৰ্ঘদিন ধৰি বেছি পৰিমাণে এনে ঔষধ খোৱাৰ ফলত ঔষধৰ প্ৰতি আসক্তও হোৱা দেখা যায়। আজিকালি কম বয়সীয়া ল'ৰা-ছোৱালী চিকিৎসকৰ পৰামৰ্শ অবিহনে এনেদৰে কাহৰ ঔষধ বেছিকৈ খোৱাৰ ফলত আসক্তি বৃদ্ধি পোৱাত মানসিক সমস্যাৰো সৃষ্টি নোহোৱাকৈ থকা নাই। যিহেতু কাহৰ ঔষধ আদি চিকিৎসকৰ নিদানপত্ৰ অবিহনে বিক্ৰী কৰিব নোৱাৰে সেয়েহে ফাৰ্মাচিষ্টসকলেও নিদানপত্ৰ অবিহনে দিব নালাগে। কাহ হ'লেই যে সকলো লোককে যে একে ধৰণৰ কফ ছিৰাপৰ প্ৰয়োজন হ'ব তেনে নহয়। কেতিয়াবা কিছুমান লোকক কাহৰ ঔষধৰ উপৰি আনুষংগিক ঔষধৰো প্ৰয়োজন হ'ব পাৰে। চিকিৎসকৰ পৰামৰ্শ অবিহনে দীৰ্ঘদিন ধৰি কাহৰ ঔষধ খালে লিভাৰ আদিৰো ক্ষতি হোৱাৰ আশংকা থাকে বুলি শেহতীয়াভাৱে গৱেষকসকলে মন্তব্য কৰিছে। উল্লেখ্য যে কফ ছিৰাপত থকা হাইড্ৰ'কাৰ্বনে কাহ আৰু বুকুৰ বিষ প্ৰশমিত কৰে। আনহাতে, হাইড্ৰ'কাৰ্বনৰ বাবে শৰীৰৰ ক্ষতি হোৱাৰ আশংকা নুই কৰিব নোৱাৰি। তদুপৰি ইয়াত থকা গুৱাইফেনেছিন, চি অ' ডি এফেড্ৰিম আদিয়ে ৰক্তচাপ বৃদ্ধি কৰাৰো আশংকা বৃদ্ধি কৰে বুলি গৱেষকসকলে মন্তব্য কৰিছে। বহুতৰে মনত এটি ভ্ৰান্ত ধাৰণা হৈছে যে বেছিকৈ খালে টোপনিৰ ভাব আহে। দৰাচলতে ইয়াত থকা মৰফিন নামৰ উপাদানবিধে স্নায়ু আৰু পেশীক অকামিলা কৰে। সেইবাবে এনেধৰণৰ ঔষধ দীৰ্ঘদিন ধৰি খোৱাৰ ফলত লাহে লাহে টোপনি আহিবলৈ ধৰে। এইখিনিতে উল্লেখ কৰিব লাগিব যে যেতিয়া এসপ্তাহতকৈ বেছিদিন কাহ হয় তেতিয়া চিকিৎসকৰ ওচৰলৈ গৈ খেকাৰ বা কফ পৰীক্ষা কৰা উচিত। নহ'লে যিমানে পলম হ'ব সিমানেই চিকিৎসাও জটিল হৈ পৰিব। এনে সমস্যাৰ পৰা হাত সাৰিবলৈ কিছুমান বিষয়ত গুৰুত্ব দিবই লাগিব।

● পানী লগা, কাহ আৰু শ্বাস-প্ৰশ্বাসৰ সমস্যাৰ সৃষ্টি হ'লে প্ৰচুৰ পৰিমাণে কুহুমীয়া পানী খোৱা উচিত।

● সম্ভৱ হ'লে গৰম পানীৰ ভাপ নাকত লগালেও সুফল পোৱা যায়।

● দিনটোৰ ভিতৰত দুই-তিনিবাৰ কুহুমীয়া পানীৰে কুলু কুলু কৰিলেও সুফল পোৱা যায়।

● লং, আদা আদি চোবাই খালেও সুফল পোৱা যায়।

● ঠাণ্ডা পানী আদি নেখোৱাটোৱে মংগলজনক। কাৰণ ঠাণ্ডা পানী আদি খালে কাহৰ প্ৰকোপ বৃদ্ধি পায়।

● চিকিৎসকৰ পৰামৰ্শ অবিহনে কেতিয়াও কাহৰ ঔষধ সেৱন কৰিব নালাগে।

● যদিহে কাহৰ ঔষধ দীৰ্ঘদিন খাবলগীয়া হয় তেতিয়াহ'লে চিকিৎসকৰ পৰামৰ্শ লৈ ইয়াৰ পাৰ্শ্বক্ৰিয়া আছে নে নাই সেই বিষয়ে জানি লোৱা উচিত।

● কম বয়সীয়া ল'ৰা-ছোৱালীক এনেধৰণৰ ঔষধ চিকিৎসকৰ পৰামৰ্শ অবিহনে কেতিয়াও খাবলৈ দিব নালাগে।



# ৰক্তচাপ নিয়ন্ত্ৰণ কৰিবলৈ প্ৰয়োজন প্ৰাতঃভ্ৰমণৰ

প্ৰায়ভাগ লোকৰে প্ৰাতঃভ্ৰমণ কৰাটো অভ্যাস। অৱশ্যে পুৱাৰে পৰা যিসকল লোকে কৰ্ম ব্যস্ত হৈ থাকিব লাগে তেওঁলোকে সান্ধ্য ভ্ৰমণ কৰাও দেখা যায়। আন একাংশই আকৌ পুৱা গধূলি দুয়োবেলাই ভ্ৰমণ কৰে। স্বাস্থ্য ৰক্ষাৰ বাবে যিবোৰ উপাদানৰ প্ৰয়োজন সেইবোৰৰ ভিতৰত প্ৰাতঃভ্ৰমণ অন্যতম। সাধাৰণতে প্ৰাতঃভ্ৰমণ অন্য সময়ৰ ভ্ৰমণতকৈ উপকাৰী বুলি কোৱা হয়। কিয়নো পুৱা উঠিয়েই যদি শৰীৰটোক দিনটোৰ বাবে কাৰ্যক্ষম কৰি তোলা হয় তেতিয়াহ'লে দিনটোৰ সকলো কামেই সুকলমে সম্পন্ন কৰিব পাৰি ।সাধাৰণতে পুৱাৰ কোমল ৰ'দৰ পৰা হাড় শক্তিশালী হয় বুলি কয়। সেইবাবেই প্ৰায়ভাগ লোকেই প্ৰাতঃভ্ৰমণলৈ ওলায়। প্ৰাতঃভ্ৰমণ কৰিলে দিনটোৰ বাবে শৰীৰ-মন সতেজ হৈ থাকে। শৰীৰ-মন সতেজ হৈ থাকিলে যিকোনো কামেই চাপবিহীনভাৱে সম্পন্ন কৰিব পাৰি। সেইবাবে পৰাপক্ষত প্ৰাতঃভ্ৰমণ কৰিবলৈ চেষ্টা কৰা উচিত। প্ৰাতঃভ্ৰমণ কৰিলে দিনটোৰ বাবে শৰীৰ-মন সতেজ হোৱাৰ সমান্তৰালকৈ বিভিন্ন ধৰণৰ ৰোগ প্ৰতিৰোধতো সহায়ক। প্ৰাতঃভ্ৰমণলৈ ওলোৱাৰ পাছত মনটো পাতল হোৱাৰ সমান্তৰালভাৱে পুৱাৰ বিশুদ্ধ বায়ুও শৰীৰে লাভ কৰে। বিশেষকৈ চহৰাঞ্চলত বসবাস কৰা লোকসকলৰ বাবে এয়া অতিকৈ গুৰুত্বপূৰ্ণ বিষয়। আজিকালি ফ্লেট বা অট্টালিকাত থকা লোকেৰেই ভৰি পৰিছে চহৰ-নগৰ আদি। সেই বাবে মুকলি ঠাইত ঘূৰিবলৈকে স্থানৰ অভাৱ ঘটিছে। প্ৰাতঃভ্ৰমণ হ'ল দিনটোৰ বাবে শৰীৰৰ আশীৰ্বাদ স্বৰূপ। সৰুৰে পৰাই ল'ৰা-ছোৱালীক এনে অভ্যাস গঢ়ি তুলিব লাগে। এনে কৰিলে সু-স্বাস্থ্যৰো অধিকাৰী হ'ব পাৰি। তদুপৰি দিনটো কামৰ বাবে বেছি শক্তি লাভ কৰা যায় মানসিকভাৱে। প্ৰাতঃভ্ৰমণৰ স'তে মনৰ সম্পৰ্ক আছে। দিনটোৰ আৰম্ভণি যদি পলমকৈ হয় তেতিয়াহ'লে ইয়াৰ প্ৰভাৱ দৈনন্দিন জীৱনৰ কাম-কাজতো পৰা দেখা যায়। দৈনন্দিন ব্যস্ততাৰ মাজতো সকলো প্ৰাতঃভ্ৰমণ কৰিবলৈ চেষ্টা কৰা উচিত।

✦ নিয়মীয়াকৈ প্ৰাতঃভ্ৰমণ কৰিলে ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি পায়। গৱেষকসকলে এই বুলি মন্তব্য আগবঢ়াইছে যে যিসকল লোকে নিয়মীয়াকৈ খোজ কাঢ়ে তেওঁলোকে চৰ্দি, ফ্লু আদিৰ পৰা হাত সাৰিব পাৰে। অৰ্থাৎ এইবোৰৰ বিৰুদ্ধে যুঁজ দিব পৰা ক্ষমতা বৃদ্ধি পায়। গৱেষকসকলৰ মতে সপ্তাহত কমেও পাঁচদিন ২০ মিনিটকৈ খোজ কাঢ়িলেও উপকাৰ পোৱা যায়, এনে কৰিলে ৪৩ শতাংশ ৰোগৰ আশংকা হ্ৰাস পায়।

✦ প্ৰাতঃভ্ৰমণৰ ফলত হৃদস্পন্দন বৃদ্ধি পায়। হৃদস্পন্দন স্বাভাৱিক হোৱা মানে ৰক্তচাপ হ্ৰাস পাবলৈ ধৰে। নিতৌ দুই মাইল পথ অতিক্ৰমিলে খোজ ষ্ট্ৰোকত আক্ৰান্ত হোৱাৰ আশংকা হ্ৰাস পায়।

✦ নিয়মীয়াকৈ খোজ কঢ়াৰ ফলত ভৰিৰ গাঁঠি আদিৰ কাৰ্যক্ষমতা স্বাভাৱিক হৈ থাকে। এনেদৰে পুৱাই খোজ কঢ়াৰ ফলত গাঁঠিসমূহৰ ফ্লুইড আদি স্বাভাৱিক হৈ থাকিব পাৰে। যেতিয়া পুষ্টি আৰু আৰু অক্সিজেন গাঁঠিলৈ স্বাভাৱিকভাৱে সৰবৰাহ হৈ থাকে বাবে গাঁঠিসমূহৰ কাৰ্যক্ষমতা বৃদ্ধি পায়।

✦ প্ৰাতঃভ্ৰমণ কৰিলে ভৰি আৰু পেটৰ পেশীসমূহ শক্তিশালী হয়। শক্তিশালী পেশীয়ে শৰীৰক দিনটোৰ বাবে স্বাভাৱিকভাৱে কাৰ্য সম্পাদন কৰাত সহায় কৰে।

✦ যিসকল লোকে পুৱাই ভ্ৰমণলৈ ওলাই তেওঁলোকৰ মস্তিষ্কৰ কাৰ্য ক্ষমতা বৃদ্ধি পায়। মনটোত প্ৰশান্তিৰ সৃষ্টি কৰিব পাৰে।

✦ নিয়মীয়াকৈ পুৱা খোজ কঢ়াৰ ফলত মানসিক স্বাস্থ্যৰো উন্নতি ঘটায়। পুৱাই মনটো সুস্থ হৈ থাকিবলৈ চালিকাশক্তি লাভ কৰে।

✦ শেহতীয়াভাৱে গৱেষকসকলে এই বুলি মন্তব্য আগবঢ়াইছে যে পুৱাই খোজ কাঢ়িলে এলঝেইমাৰৰ ৰোগ প্ৰতিৰোধ হয়।

# বলিৰেখাৰ প্ৰতিৰোধ কৰিবলৈ কেনেধৰণৰ সাৱধানতা অৱলম্বন কৰিব ?



কম বয়সতে কিছুমানৰ কপালত বলিৰেখা স্পষ্ট হৈ পৰাৰ ফলতো বিভিন্ন সমস্যাই দেখা দিয়ে। বিশেষকৈ সৌন্দৰ্যৰ প্ৰতি গুৰুত্ব দিয়া সকলৰ বাবে কম বয়সতে বলিৰেখা পৰিলে মনত বিভিন্ন ধৰণৰ প্ৰশ্নৰ উদয় হয়। অতি কম বয়সতে বয়সৰ চাপ পৰা বাবে বহুতে মানসিকভাৱে দুৰ্বল হৈ পৰে। বিশেষকৈ যুৱতী অথবা কম বয়সীয়া মহিলাই এনেধৰণৰ সমস্যাৰ সন্মুখীন হ'লে মানসিকভাৱে দুৰ্বল হোৱা বাবে বলিৰেখাবোৰ অধিক স্পষ্ট হোৱা দেখা যায়। এনেধৰণৰ সমস্যাৰ পৰা হাত সাৰিব পাৰি যদিহে কিছুমান বিষয়ত গুৰুত্ব প্ৰদান কৰা হয়। এইখিনিতে উল্লেখ কৰিব লাগিব যে কিছুমানৰ বদ অভ্যাসৰ বাবেও এনেধৰণৰ সমস্যাই সহজেই গা কৰি উঠিব পাৰে। এনে ধৰণৰ সমস্যাৰ পৰা হাত সাৰিবলৈ যিবোৰ বিষয়ত গুৰুত্ব প্ৰদান কৰিব লাগে সেইবোৰ উল্লেখ কৰা হ'ল—


● সাধাৰণতে দীৰ্ঘদিন ধৰি নিদ্ৰাহীনতাত ভুগিলে বলিৰেখা সহজে সৃষ্টি হ'ব পাৰে। চিকিৎসকৰ মতে, এগৰাকী ব্যক্তি সু-স্বাস্থ্যৰ অধিকাৰী হ'বলৈ যিবোৰ উপাদানৰ প্ৰয়োজন সেইবোৰৰ ভিতৰত অন্যতম হ'ল নিতৌ আঠ ঘণ্টাকৈ শোৱা। নিৰ্দিষ্ট সময় টোপনি গ'লেহে সুস্বাস্থ্যৰ অধিকাৰী হ'ব পাৰি। আঠ ঘণ্টাতকৈ টোপনি কম হ'লে অথবা নিশা সঘনাই টোপনি ভাঙি যোৱা আদিৰ বাবেও এনে হ'ব পাৰে। কেতিয়া গাৰুত মুখখন থেচি থাকিলে ছালখনৰ ক'লাজেনৰ ক্ষতি হ'ব পাৰে। তদুপৰি যেতিয়া ছালৰ স্থিতিস্থাপকতা নোহোৱা হয় তেতিয়া বলিৰেখা স্থায়ী হৈ পৰে। এই বিষয়ে বহুতেই জ্ঞাত নহয়। সেইবাবে টোপনিৰ লগতে শোৱা গাৰুটোও ভাল হ'ব লাগিব।

● বলিৰেখা পৰাৰ অন্যতম কাৰণ হ'ল বিৰক্তি। কিছুমানে বিৰক্তিৰ বাবে সঘনাই ভ্ৰূ কোঁচাই থকাতো অভ্যাসত পৰিণত হয়। এনে কৰি থাকিলে কপালত সহজেই বলিৰেখা পৰাৰ আশংকা থাকে। ইয়াৰ পৰিৱৰ্তে যিসকল লোকে সদায় হাঁহি মুখে থাকে তেওঁলোকৰ কমকৈ বলিৰেখা পৰে। সেই বাবে যিমান সম্ভৱ সিমানেই মনটো শান্ত ৰাখি কথোপকথন হ'ব লাগে। খং নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰা উচিত। যিমানেই খঙাল হ'ব সিমানেই এনেধৰণৰ সমস্যাই গা কৰি উঠিব পাৰে।

◆প্ৰয়োজনতকৈ কেতিয়াও বেছিকৈ মুখ পৰিষ্কাৰ কৰিব নালাগে। কাৰণ ছালখনে এক নিৰ্দিষ্ট প্ৰলেপহে সহ্য কৰিব পাৰে। বেছিকৈ চাবোন ব্যৱহাৰৰ ফলত চাবোনৰ চৰ্বি দ্ৰৱীভূত হয়। এনে চৰ্বিয়ে ছালখনত জমা হোৱা মলি আঁতৰ কৰোতে ছালৰ বাবে প্ৰয়োজনীয় প্ৰাকৃতিক চৰ্বিও ওলাই যাব পাৰে। যদিহে সঘনাই এনে কৰা হয় তেতিয়া হ'লে সোনকালে বলিৰেখা পৰাৰ আশংকা থাকে।

◆ ভিটামিন 'চি'ৰ কাৰ্যকৰিতাৰ ওপৰতো নিৰ্ভৰ কৰে ছালত বলিৰেখা প্ৰতিৰোধ হোৱাটো। সাধাৰণতে যিসকল লোকে নিয়মীয়াকৈ ভিটামিন 'চি' যুক্ত খাদ্য গ্ৰহণ কৰাৰ লগতে মুখত ইয়াৰ পৰা প্ৰস্তুত কৰা জেল আদি ব্যৱহাৰ কৰে তেতিয়া বলিৰেখা স্পষ্ট হোৱাৰ আশংকা নাথাকে। এইবিধ ভিটামিনে ছালত ক'লাজেন উৎপাদনত সহায় কৰে। তদুপৰি এইবিধ ভিটামিনৰ বাবে অতি বেঙুনীয়া ৰশ্মিসমূহেও ছালখনৰ বিশেষ ক্ষতিসাধন কৰিব নোৱাৰে।

◆ এনে সমস্যাৰ পৰা হাত সাৰিবলৈ ডাৰ্ক চকলেট অথবা কোকো খাব পাৰে। বহুতো লোকে কফি খালে বলিৰেখাৰ পৰা হাত সাৰিব পাৰে বুলি ভাবে যদিও শেহতীয়াভাৱে গৱেষকসকলে এই বুলি মন্তব্য আগবঢ়াইছে যে কফিতকৈ বলিৰেখা আদি প্ৰতিৰোধত ডাৰ্ক চকলেট অধিক কাৰ্যকৰী।



◆ ছালখনৰ নিয়মীয়াকৈ যত্ন ল'ব লাগিব। আজিকালি বহুতে বজাৰত উপলব্ধ যিকোনো প্ৰসাধনী সামগ্ৰী কিনি মুখত ব্যৱহাৰ কৰে। মনত ৰখা উচিত যে কেৱল বিজ্ঞাপন দেখি যিকোনো ক্ৰিম, তেল আদিৰ উপৰি জেল ব্যৱহাৰ কৰাৰ ফলত ছালখনত বয়সৰ পূৰ্বেই বলিৰেখা আৰম্ভ হ'ব পাৰে।

# কেনেকৈ লাহি দেহৰ অধিকাৰী হ'ব পাৰি ?



আধুনিক জীৱন-যাপনত 'শ্লিম' শব্দটোৰ স'তে প্ৰায়ভাগ লোকেই পৰিচিত। বিশ্বত যিমানেই মেদবহুল লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে সিমানেই 'শ্লিম' বা লাহি দেহৰ অধিকাৰী হোৱাৰ মানসিকতাই গা কৰি উঠা বাবে বহুতে খোৱা-বোৱাৰ পৰা আৰম্ভ কৰি ব্যায়াম কৰালৈকে সকলোতে গুৰুত্ব দিছে। অৱশ্যে আধুনিক জীৱন-যাপনৰ পদ্ধতিত খাদ্যাভাসৰ লগতে আন উপাদানে লাহি দেহৰ অধিকাৰী হৈ থকাৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। সম্প্ৰতি বিশ্বত মেদবহুল লোকৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। কায়িক শ্ৰম আৰু পৰম্পৰাগত খাদ্য গ্ৰহণ নকৰাৰ ফলত মেদবহুল লোকৰ সংখ্যা বৃদ্ধি হৈছে। পুৱাই ব্যায়াম কৰি দিনৰ দিনটো ফাষ্ট ফুড, জাংক ফুড আদি খাই থকাৰ ফলত মেদবহুলতাই সহজেই গা কৰি উঠে। অৱশ্যে কিছুমান বিষয়ত গুৰুত্ব প্ৰদান কৰিলে সহজে লাহি দেহৰ অধিকাৰী হ'ব পাৰে। কোনবোৰ বিষয়ত গুৰুত্ব প্ৰদান কৰা উচিত-

● পুষ্টি বিশেষজ্ঞসকলৰ মতে পুৱাই যদি উপযুক্ত পৰিমাণে আহাৰ গ্ৰহণ কৰা হয় তেতিয়াহ'লে শৰীৰে দিনটোৰ কাৰ্য সম্পাদনৰ বাবে পুষ্টি লাভ কৰে। পুৱাৰ আহাৰ সঠিক সময়ত পেট ভৰাই খাব লাগে। এই বিষয়ত সদায় গুৰুত্ব প্ৰদান কৰা উচিত। প্ৰ'টিন, কাৰ্ব'হাইড্ৰেট, শাক-পাচলি, ফলমূল আদি পুৱাৰ আহাৰত তালিকাভুক্ত কৰা উচিত। পুৱাৰ আহাৰত গাখীৰ, কণী আদি খালেও উপকাৰ পোৱা যায়। যিসকলে নিয়মীয়াকৈ পুৱাৰ আহাৰ ভালদৰে গ্ৰহণ কৰে তেওঁলোকে মেদবহুলতা প্ৰতিৰোধ কৰিব পাৰে।

● যদিহে লাহি দেহৰ অধিকাৰী হ'বলৈ খুজিছে তেতিয়াহ'লে দুপৰীয়া কম পৰিমাণে আহাৰ খাব লাগে। কাৰণ পুৱাই বেছি খোৱাৰ পাছত যদি দুপৰীয়াও বেছিকৈ খায় তেতিয়াহ'লে শৰীৰত অতিৰিক্ত চৰ্বি জমা হ'বলৈ ধৰিব। কিয়নো খাদ্য গ্ৰহণ অৰ্থাৎ কেলৰি লাভ কৰা অনুপাতে যদি ব্যয় নহয় তেতিয়াহ'লে শৰীৰত চৰ্বি জমা হৈ লাহি হোৱাৰ ক্ষেত্ৰত ব্যাঘাত জন্মায়।

● আঁহযুক্ত বা ফাইবাৰ যুক্ত খাদ্য নিয়মীয়াকৈ খাব লাগে। এইখিনিতে উল্লেখ কৰিব লাগিব যে সতেজ শাক-পাচলি, ফলমূল আদি প্ৰচুৰ পৰিমাণে খালেও সুফল পোৱা যায়। কিয়নো এনেধৰণৰ খাদ্য পাকস্থলীত বেছি সময় থকা বাবে সোনকালে ভোক নালাগে। ইয়াৰ পৰিৱৰ্তে যদি দিনটোৰ ভিতৰত বেছিভাগ খাদ্যই ফাষ্টফুড জাতীয় হয় তেতিয়াহ'লে শৰীৰত ইয়াৰ বিৰূপ প্ৰভাৱ পৰাটো নিশ্চিত।

● লাহি দেহৰ অধিকাৰী হ'বলৈ ফাষ্ট ফুড, চকলেট, আইচক্ৰীম আদিৰ পৰা আঁতৰি থাকিব লাগিব। কিয়নো এইবোৰ বেছি খোৱা মানে শৰীৰত অতিৰিক্ত পৰিমাণে চৰ্বি জমা হোৱা। এই চৰ্বি ব্যয় কৰিবলৈ বা হ্ৰাস কৰোতে দীৰ্ঘ সময়ৰ প্ৰয়োজন হয়।

● প্ৰতি সপ্তাহতে ওজন নিৰীক্ষণ কৰিলে হ্ৰাস-বৃদ্ধি জানিব পাৰি। কিয়নো কেতিয়াবা দীৰ্ঘদিন ধৰি শৰীৰৰ ওজন বৃদ্ধি হৈ থকাৰ পাছতো গুৰুত্ব প্ৰদান নকৰিলে পৰৱৰ্তী সময়ত নিয়ন্ত্ৰণ কৰটো কঠিন হৈ পৰে। কঠোৰ পৰিশ্ৰম আৰু নিয়মীয়াকৈ ব্যায়ামৰ প্ৰয়োজন হয়। গতিকে লাহি দেহৰ অধিকাৰী হ'বলৈ হ'লে এইবোৰ বিষয়ত সকলোৱে গুৰুত্ব প্ৰদান কৰিব লাগিব।

# 'নাবাৰ্ড' 'জীৱিকা উদ্যমিতা উন্নয়ন কাৰ্যসূচী'ৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ২৭ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ কাকডোঙা উন্নয়ন খণ্ডৰ অন্তৰ্গত বাহগুৰি অঞ্চলৰ শিৰিশচিকা, লেমচাপৰি আৰু নতুন চাপৰিত যোৱা ২৭ অক্টোবৰৰ পৰা ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক চমুকৈ নাবাৰ্ডৰ অৰ্থসাহায্যত তথা হস্তশিল্প উন্নয়ন কাৰ্যসূচীৰ অধীনত এক ১৫ দিনীয়া প্ৰশিক্ষণৰ সামৰণি পৰে। মুঠ তিনিটা ভাগত ৯০ গৰাকী আগ্ৰহান্বিত গোটৰ সদস্যাই লোৱা হস্ততাঁতৰ উন্নত প্ৰশিক্ষণৰ সময়ত বিভিন্ন সময়ত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে উত্তৰ-পূৱ বিজ্ঞান আৰু প্ৰযুক্তি কেন্দ্ৰৰ বিজ্ঞানী ড° দীপুল কলিতা আৰু কল্যাণী মেধি, অসম কৃষি বিশ্ববিদ্যালয়ৰ বস্ত্ৰ শইকীয়া, গোলাঘাট জিলা হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ অধ্যক্ষ ফখৰুদ্দিন আহমেদ, অসম গ্ৰামীণ বিকাশ বেংক, নাৱিকলগুৰি শাখাৰ শাখা প্ৰবন্ধক আদিয়ে বিভিন্ন বিষয়ত আলোচনা আগবঢ়াই প্ৰশিক্ষাৰ্থীসকলক অনুপ্ৰাণিত কৰে। যোৱা ২৪ নৱেম্বৰত উক্ত প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে নাবাৰ্ড গোলাঘাট জিলাৰ জিলা প্ৰবন্ধক সুশান্ত চক্ৰৱৰ্তী, অসম গ্ৰামীণ বিকাশ বেংক, ক্ষেত্ৰীয় কাৰ্যালয়ৰ ক্ষেত্ৰীয় প্ৰবন্ধক মহেশ বৰুৱা, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, গোলাঘাটৰ প্ৰবন্ধক উমেশ কুমাৰ, অসম কৃষি বিশ্ববিদ্যালয়ৰ বস্ত্ৰ শইকীয়া, গোলাঘাট জিলা কৃষি বিভাগৰ পৰিদৰ্শক ৰঞ্জন বৰা আৰু পবিত্ৰ শইকীয়াই বক্তব্য ৰাখে। হস্তশিল্প উন্নয়ন প্ৰতিষ্ঠানৰ কাৰ্যকৰী সভাপতি পবিত্ৰ শইকীয়াই আঁত ধৰা সামৰণি সভাৰ আৰম্ভণিতে অতিথিসকলক গুমৰাগ নৃত্যৰে পদুলিৰ পৰাই আদৰি অনাৰ পাছতেই নাবাৰ্ডৰ জিলা প্ৰবন্ধকজনে হস্ততাঁত প্ৰদৰ্শনী মুকলি কৰে। সভাৰ আদৰণি ভাষণ ৰাখে হস্তশিল্প উন্নয়ন প্ৰতিষ্ঠানৰ সম্পাদক পংকজ কুমাৰ শৰ্মাই। উল্লেখ্য যে প্ৰশিক্ষাৰ্থীসকলৰ তৰফৰ পৰা দিহানাম আৰু বিহু নৃত্য প্ৰদৰ্শন আছিল সভাৰ অন্যতম আকৰ্ষণ। সম্পাদক শৰ্মাই জনোৱা মতে, আগন্তুক এবছৰ ধৰি প্ৰশিক্ষাৰ্থীসকলৰ অতিৰিক্ত প্ৰশিক্ষণ, ঋণ প্ৰদান তথা উৎপাদন গোট স্থাপন আৰু উৎপাদিত সামগ্ৰীৰ বিক্ৰীৰ ক্ষেত্ৰত সহায় আগবঢ়াব নাবাৰ্ডৰ নিয়মমতে।

# গোৰ্খা সন্মিলনৰ প্ৰতিনিধি দলৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৭ নৱেম্বৰ ঃ** অসম গোৰ্খা সন্মিলন বঙাইগাঁও জিলা সমিতিৰ সভাপতি নাৰায়ণ পাঠকৰ নেতৃত্বত উপ-সভাপতি ৰাজু লামা, উপ-সভানেত্ৰী ৰেণু ছেত্ৰী আৰু সম্পাদিকা সুনীতা ৰায়ে যোৱা ২৪ নৱেম্বৰৰ নিশা বঙাইগাঁও আৱৰ্ত ভৱনত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে। শেহতীয়াকৈ ৰাজ্য চৰকাৰৰ দ্বাৰা গোৰ্খা সম্প্ৰদায়ৰ 'ডি' ভোটাৰৰ লগতে কে'বাটাও সমস্যা সমাধানৰ বাবে মুখ্যমন্ত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে নৱগঠিত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদত গোৰ্খা সম্প্ৰদায়ৰ পৰা এজন মনোনীত সদস্য প্ৰদান কৰাৰ আৰু বঙাইগাঁও জিলাৰ অভয়াপুৰীত গোৰ্খা সম্প্ৰদায়ৰ কলা সংস্কৃতি সংৰক্ষণৰ বাবে এক সাংস্কৃতিক প্ৰেক্ষাগৃহ নিৰ্মাণ কৰিবলৈ দাবী কৰে। ইয়াৰ উপৰি ভাৰতীয় তেল নিগমৰ বঙাইগাঁও শোধনাগাৰৰ পৰা ওলোৱা প্ৰদূষিত পানীৰ ফলত চাৰিওফালৰ অঞ্চলত বাস কৰা লোকসকলৰ ক্ষতি প্ৰতিহত কৰিবলৈ উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান কৰাৰ লগতে অভয়াপুৰীত মিনি ষ্টেডিয়াম নিৰ্মাণ, দেওহাটী আৰু ভদ্ৰাগাঁৱত গোৰ্খা, সম্প্ৰদায়ৰ বাবে সামূহিক ভৱন নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী কৰে। উল্লেখ্য যে ২৪ নৱেম্বৰত বঙাইগাঁৱত অসম চৰকাৰৰ কেবিনেট বৈঠক অনুষ্ঠিত হৈছিল।

# ওদালগুৰি কৃষকৰ মাজত উন্নতমানৰ আলুৰ বীজ বিতৰণ



**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২৭ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত ওদালগুৰি জিলা কৃষি বিভাগৰ তৰফৰ পৰা জিলাখনৰ কৃষকসকলৰ মাজত যোৱা ২৬ নৱেম্বৰত উন্নতমানত আলুৰ বীজ বিতৰণ কৰা হয়। ওদালগুৰি জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত আলুৰ বীজ বিতৰণৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য তথা স্থানীয় বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে ৰাজ্য চৰকাৰে কৃষি ক্ষেত্ৰখনত বিশেষ গুৰুত্ব দিয়াৰ কথা উল্লেখ কৰি আলু উৎপাদনৰ সময়ত কৃষকৰ মাজত উন্নত আলুৰ বীজ বিতৰণৰ ব্যৱস্থা কৰা বুলি মন্তব্য কৰে। জিলা কৃষি বিষয়া প্ৰফুল্ল বৰগোহাঁই আৰু কৃষি উন্নয়ন বিষয়া ইন্দু প্ৰাঞ্জল বৰাই উন্নতমানৰ আলুৰ বীজ ৰোপণ সন্দৰ্ভত কৃষকসকলৰ মাজত পৰামৰ্শ দাঙি ধৰে। উল্লেখ্য যে কৃষকসকলৰ মাজত বিতৰণ কৰা উন্নতমানৰ আলুৰ বীজৰ নাম কুৰ্ফিজ্যোতি। উন্নতমানৰ বীজ বিধত আলুত হোৱা ব্ৰাই বেমাৰৰ উপস্থিতি ধৰা নপৰে। ইয়াৰ উপৰি এছঅ'পিডি আঁচনিৰ অধীনত জৈৱিক কৃষিৰ বাবে কৃষকসকলৰ মাজত কেঁচুসাৰ বিতৰণ কৰা হয়। এই বিতৰণ প্ৰক্ৰিয়াত কৃষি সহায়ক উৎপল কুমাৰ ডেকা আৰু এডিচন মুছাহাৰীয়ে সহযেগিতা আগবঢ়ায়।

# মৰিয়নিত বিজেপি অনুসূচিত জাতি মৰ্চাৰ সংবিধান দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ২৭ নৱেম্বৰ ঃ** বিজেপিৰ অনুসূচিত জাতি মৰ্চা ৰাষ্ট্ৰীয় সমিতিৰ উদ্যোগত সমগ্ৰ দেশৰ লগতে যোৱা ২৬ নৱেম্বৰ মৰিয়নিতো সংবিধান গৌৰৱ দিৱস পালন কৰা হয়। এই উপলক্ষে যোৰহাট জিলা বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ উদ্যোগত আৰু মৰিয়নি মণ্ডল অনুসূচিত জাতি মৰ্চাৰ সহযোগত মৰিয়নিত একাধিক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। পুৱা ভাৰতৰত্ন ড° ভীমৰাও আম্বেদকাৰৰ প্ৰতিছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে অনুসূচিত জাতি মৰ্চাৰ যোৰহাট জিলা সভাপতি অনন্ত দাসে। ইয়াৰ পাছতে মৰিয়নি নগৰৰ চাৰি নম্বৰ ৱাৰ্ডৰ আম্বেদকাৰ কল'নীৰ পৰা ড° আম্বেদকাৰৰ প্ৰতিছবি লৈ নগৰৰ মাজেদি শোভাযাত্ৰা কৰি মেজিক ষ্টেণ্ডত মুকলি সভা অনুষ্ঠিত হয়। অনুসূচিত জাতি মৰ্চাৰ যোৰহাট জিলা সমিতিৰ সভাপতি অনন্ত দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত যোৰহাট জিলা বিজেপিৰ সভাপতি কামাখ্যা মোহন দাস, মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক মনোজ কুমাৰ শৰ্মা, মৰ্চাৰ ৰাজ্যিক সম্পাদক তথা মৰ্চাৰ যোৰহাট জিলা প্ৰভাৰী জিতু হাজৰিকাই সংবিধান গৌৰৱ দিৱসৰ লগত সংগতি ৰাখি ড° আম্বেদকাৰৰ জীৱনীৰ ওপৰত বিস্তৃত বক্তব্য আগবঢ়ায়। সংবিধান, গৌৰৱ দিৱসৰ আহ্বায়ক দিগন্ত দাস আৰু প্ৰাণজিত দাসে আঁত ধৰা সভাখনত যোৰহাট জিলা বিজেপিৰ সাধাৰণ সম্পাদক ঈশ্বৰ প্ৰসন্ন বৰদলৈ, অনুসূচিত জাতি মৰ্চাৰ যোৰহাট জিলাৰ উপ-সভাপতি তথা মৰিয়নিৰ চেম্বাৰ্ছ অৱ কমাৰ্চৰ সম্পাদক প্ৰদীপ দাস, সাধাৰণ সম্পাদকদ্বয় কেশৱ দাস আৰু মনোজ কুমাৰ দাস, মৰিয়নিৰ মণ্ডল বিজেপিৰ সভাপতি কৃষ্ণ ভূমিজ, কাৰ্যনিৰ্বাহক সদস্য মানৱ দাস, মৰ্চাৰ মণ্ডল সভানেত্ৰী বৰ্ণালী দাস আদিৰ লগতে অনুসূচিত জাতি মৰ্চাৰ মণ্ডল সভাপতি-সম্পাদকসকল আৰু দলীয় কৰ্মকৰ্তাসকল উপস্থিত থাকে।

## ■ তিনিচুকীয়াৰ কৰ্দৈগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিনা বেতনে শিক্ষকৰ পাঠদান

# ১৯৭৫তে স্থাপিত বিদ্যালয়ৰ চৰকাৰীকৰণ নহ'ল



*সোণাপুৰত কামৰূপ জিলা তিৱা সাহিত্য সভাৰ অধিৱেশন, শনিবাৰে।*

**অগ্ৰদূত বাৰ্তা**

**তালাপ, ২৭ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ এটা অনুন্নত অঞ্চল কৰ্দৈগুৰি। দেশে স্বাধীনতা লাভ কৰাৰ পূৰ্বেই প্ৰতিষ্ঠা লাভ কৰিছিল অঞ্চলটোৰ কে'বাখনো গাঁও। অঞ্চলটো আন আন সমস্যাৰ লগতে উত্তীৰ্ণ হোৱাৰ পাছত উচ্চ মাধ্যমিক বিদ্যালয়ত নামভৰ্তিৰ বাবে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল। উচ্চ শিক্ষা ল'বৰ বাবে কৃষিৰ ওপৰত নিৰ্ভৰশীল অভিভাৱকসকলে দূৰৰ বিদ্যালয়লৈ ল'ৰা-ছোৱালী পঠাবলৈও পৰা নাছিল। তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই অঞ্চলটোৰ কে'বাজনমান সচেতন লোকে ১৯৭৫ত প্ৰতিষ্ঠা কৰে কৰ্দৈগুৰি উচ্চ মাধ্যমিক বিদ্যালয়খন। বিদ্যালয়খন প্ৰতিষ্ঠা কালৰ স'তে জড়িত প্ৰধান শিক্ষকক ধৰি কে'বাগৰাকীয়েও এই সংসাৰৰ পৰা গুচি গ'লগৈ। কিন্তু তেওঁলোকে অতি আশাৰে প্ৰতিষ্ঠা কৰি থৈ যোৱা বিদ্যালয়খনহে আজিও চৰকাৰৰ দৃষ্টিগোচৰ নহ'ল। উল্লেখ্য যে বিগত ২০১৩ত বিদ্যালয়খন চৰকাৰীকৰণৰ আওঁতালৈ আহিছিল যদিও অৱশেষত সেই সুবিধাৰ পৰাও বঞ্চিত হ'বলগীয়া হৈছে। ৰাজ্যৰ দীৰ্ঘদিনীয়া কংগ্ৰেছ শাসিত চৰকাৰৰ দিনত অঞ্চলটোৰ একমাত্ৰ উচ্চ মাধ্যমিক বিদ্যালয়খন চৰকাৰীকৰণ নোহোৱাত অঞ্চলটোৰ বাইজে নতুন চৰকাৰ গঠনৰ পোষকতা কৰিছিল। ২০১৬ত ৰাজ্যত বিজেপি নেতৃত্বাধীন চৰকাৰ গঠন হ'ল। বাইজে আশা কৰিছিল অতি শীঘ্ৰে একমাত্ৰ উচ্চ শিক্ষানুষ্ঠানখন চৰকাৰীকৰণ হ'বগৈ। কিন্তু নতুন চৰকাৰে অঞ্চলটোৰ বাইজৰ মনত চেঁচা পানী ঢালিলে। বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে ইতিমধ্যে পাঁচটা বছৰ অতিক্ৰম কৰাৰ পাছত পুনৰবাৰ চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ল। কিন্তু আজিও কৰ্দৈগুৰি উচ্চ মাধ্যমিক বিদ্যালয়খন চৰকাৰীকৰণৰ কোনো পদক্ষেপ গ্ৰহণ কৰাৰ বাতৰি পোৱা হোৱা নাই। চাৰিটা দশক অতিক্ৰম কৰা বিদ্যালয়খন এচাম সমাজসেৱকৰূপী শিক্ষকে বিনা বেতনে পাঠদান দি অহাটো অতি গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক পিছপৰা অঞ্চলটোৰ বিদ্যালয়খনৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিবলৈ অঞ্চলবাসীয়ে আহ্বান জনাইছে।

# কোচ ৰাজবংশীক জনজাতিকৰণৰ দাবীত মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান

**তামাৰঘাট, ২৭ নৱেম্বৰ ঃ** কোচ-ৰাজবংশী জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া দাবী জনগোষ্ঠীটোক অনুসূচিত জনজাতিকৰণকে ধৰি অন্যান্য জ্বলন্ত সমস্যাসমূহ অতি শীঘ্ৰে পূৰণ কৰাৰ দাবীত কোচ-ৰাজবংশী সংগ্ৰাম সমিতিয়ে যোৱা ২৫ নৱেম্বৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি এখন স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰখনত কোচ-ৰাজবংশী সংগ্ৰাম সমিতিয়ে উল্লেখ কৰে যে অসমৰ অন্যতম ভূমিপুত্ৰ কোচ-ৰাজবংশী জনগোষ্ঠাটোৱে অনুসূচিত জনজাতিকৰণৰ দাবীত ১৯৩৮ৰ পৰাই গণতান্ত্ৰিকভাৱে আন্দোলন চলাই আহিছে। কিন্তু বৰ পৰিতাপৰ বিষয় যে আজিলৈকে কোচ-ৰাজবংশীৰ জনজাতিকৰণ নহ'ল। মন কৰিবলগীয়া যে ২০১৪ আৰু ২০১৯ৰ লোকসভাৰ সাধাৰণ নিৰ্বাচন আৰু ২০১৬ৰ অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ সময়ত বিজেপিয়ে নিৰ্বাচন ভাষণত কোচ ৰাজবংশীক জনজাতিকৰণৰ প্ৰতিশ্ৰুতি দিছিল যদিও উক্ত প্ৰতিশ্ৰুতি মতে কোচ ৰাজবংশী জনগোষ্ঠীটোৱে আজিলৈকে জনজাতিৰ মৰ্যাদা লাভ নকৰিলে। ইয়াৰ উপৰি বিজেপি নেতৃত্বাধীন পূৰ্বৰ অসম চৰকাৰখনৰ সময়ত জনগোষ্ঠীটোৰ জনজাতিকৰণৰ ক্ষেত্ৰত তেতিয়াৰ শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত মন্ত্ৰী গোটৰ এখন সমিতি কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিছিল ।ইয়াৰ পাছতে কোচ ৰাজবংশী জনগোষ্ঠীটোৰ জনজাতিকৰণ নহ'ল। গতিকে অতি সোনকালে ৰাজনৈতিক, শৈক্ষিক, আৰ্থ-সামাজিক আদি সকলো দিশতে পিছ পৰি থকা কোচ ৰাজবংশী জনগোষ্ঠীটোক জনজাতিকৰণ কৰাৰ বাবে কোচ ৰাজবংশী সংগ্ৰাম সমিতিয়ে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক স্মাৰকপত্ৰ যোগে দাবী জনায়। আনহাতে, বঙাইগাঁও মহাবিদ্যালয় আৰু ধুবুৰী জিলাৰ গোলকগঞ্জস্থিত চিলাৰায় মহাবিদ্যালয় দুখনক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণ কৰাৰ লগতে বঙাইগাঁও নিৰ্মীয়মাণ অভিযান্ত্ৰিক মহাবিদ্যালয়খনৰ অতি সোণকালে নিৰ্মাণকাৰ্য কৰি পাঠদান কাৰ্যসূচী আৰম্ভ কৰাৰ লগতে অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক সাক্ষাৎ কৰি আন এখন স্মাৰক পত্ৰ প্ৰদান কৰে কোচ ৰজাবংশী সংগ্ৰাম সমিতিয়ে।

# বাগানপাৰাত দুই সন্তানৰ মাতৃৰ ৰহস্যজনক নিৰুদ্দেশ

**অগ্ৰদূত বাৰ্তা**

**বাগানপাৰা, ২৭ নৱেম্বৰ ঃ** বাগ্‌সা জিলাৰ বাগানপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত বাগানপাৰা বালাটাৰিৰ এগৰাকী দুই সন্তানৰ মাতৃৰ ৰহস্যজনক নিৰুদ্দেশে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মঙলবাৰে আবেলি দুই সন্তানৰ মাতৃ বিনীতা বড়োৱে ন বছৰীয়া আৰু তিনিবছৰীয়া সন্তান দুটিক ঘৰতে অকলে এৰি চাইকেল লৈ ঘৰৰ পৰা ওলায় যায়। তেতিয়াৰে পৰা বৰ্তমানলৈ ৰহস্যজনকভাৱে নিৰুদ্দেশ হৈ আছে মাতৃগৰাকী। ইপিনে, দিনহাজিৰা কৰি সন্ধিয়া ঘৰলৈ উভতি অহা স্বামীয়ে পত্নীক নেদেখি বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰিও পত্নীৰ কোনো সন্ধান উলিয়াবলৈ সক্ষম নহ'ল। ইয়াৰ পৰৱৰ্তী দুদিনও বিভিন্ন ঠাইত আলহীৰ ঘৰত বিচাৰ কৰি আজিও সন্ধান উলিয়াবলৈ সক্ষম নহ'ল, সেয়েহে শুকুৰবাৰে পত্নী নিৰুদ্দেশ সম্পৰ্কে বাগানপাৰা আৰক্ষী চকীত এজাহাৰ দাখিল কৰিবলৈ বাধ্য হয় স্বামী গজেন বড়োৱে। কোনো লোকে মাতৃগৰাকীৰ সন্ধান পালে ওচৰৰ আৰক্ষী থানাত খবৰ দিবলৈ অনুৰোধ কৰিছে স্বামী বড়োৱে।

# কলাখাৰ শীৰ্ষক প্ৰকল্প ৰাজ্যিক পৰ্যায়লৈ নিৰ্বাচন ঃ শুভেচ্ছা

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ২৭ নৱেম্বৰ ঃ** যোৱা ২২ আৰু ২৩ নৱেম্বৰত অনলাইনযোগে অনুষ্ঠিত গোলাঘাট জিলা ২৯ সংখ্যক বিজ্ঞান সমাৰোহখনত প্ৰকল্প প্ৰদৰ্শন কৰি ঢেকিয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ দুগৰাকী ছাত্ৰী ৰাজ্যিক পৰ্যায়লৈ নিৰ্বাচিত হৈছে। বিদ্যালয়খনৰ ছাত্ৰী অস্মিতা দেৱী আৰু চান্দিনী নাথে 'কাতিৰ কলাখাৰ ঃ পৰম্পৰাগত খাদ্য আৰু ভৱিষ্যতৰ সম্ভাৱনীয়তা' নামৰ এটি প্ৰকল্প হাতত লৈ ৰাজ্যিক পৰ্যায়লৈ নিৰ্বাচিত হোৱাত দুয়োগৰাকী ছাত্ৰীলৈ বিভিন্নজনে শুভেচ্ছা জনাইছে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক বংশীধৰ কলিতা, তত্ত্বাৱধায়ক শিক্ষক মানসী নেওগ, বিশ্বজ্যোতি দেৱী, ঢেকিয়ালৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে, তেওঁলোকৰ এই যাত্ৰা সুদূৰপ্ৰসাৰী হোৱাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়লৈ আগুৱাই যাবলৈ শুভেচ্ছা জনাইছে।

# প্ৰবীণ সাংবাদিক-শিক্ষাসেৱী প্ৰাণকৃষ্ণ দাসৰ বিয়োগত শোক প্ৰকাশ মুখ্যমন্ত্ৰীৰ

**অগ্ৰদূত বাৰ্তা**

**টিহু, ২৭ নৱেম্বৰ ঃ** নলবাৰী জিলা তথা টিহুৰ প্ৰবীণ সাংবাদিক, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েচনৰ মুখ্য উপদেষ্টা, শিক্ষাসেৱী তথা সমাজকৰ্মী প্ৰাণকৃষ্ণ দাসৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে যোৱা আঠ নৱেম্বৰত বাৰ্ধক্যজনিত কাৰণত আক্ৰান্ত হৈ জিএমচিএইছত মৃত্যু হয় সাংবাদিকজনৰ। যোৱা ২৬ নৱেম্বৰত এক শোকবাৰ্তা যোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে যে প্ৰাণকৃষ্ণ দাসৰ মৃত্যু সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি। শোকবাৰ্তাটোত লগতে উল্লেখ কৰে যে প্ৰয়াত দাসে সমাজ জীৱনলৈ যি বৰেণ্য অৱদান আগবঢ়াই গ'ল সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। দাসে বিভিন্ন কাকতত সাংবাদিক হিচাপে মফচলীয়া সাংবাদিকতাক অনন্য মাত্ৰা প্ৰদান কৰা বুলিও শোকবাৰ্তাটোত মুখ্যমন্ত্ৰীজনে প্ৰকাশ কৰে। টিহু ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰা শিক্ষক দাসে মানৱ সম্পদ গঢ়াৰ দিশতো যথেষ্ট অৱদান আগবঢ়াই গৈছে বুলি উনুকিয়াই শোকবাৰ্তাটোত মুখ্যমন্ত্ৰীয়ে তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

# চিৰাঙৰ মহাবিদ্যালয়ৰ সন্মুখত জিলা এবছুৰ দুঘণ্টীয়া প্ৰতিবাদী অৱস্থান ধৰ্ণা

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২৭ নৱেম্বৰ ঃ** নিখিল বড়ো ছাত্ৰ সন্থাৰ চিৰাং জিলা সমিতিৰ উদ্যোগত আৰু মহাবিদ্যালয় গোটৰ উদ্যোগত পৰহি পুৱা ১০ বজাৰ পৰা ১২ বজালৈ দুঘণ্টীয়া অৱস্থান ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। জিলাখনৰ কাজলগাঁও উপেন্দ্ৰনাথ ব্ৰহ্ম কলেজ, বাসুগাঁও কলেজ, বেংতল কলেজ, ৰুণীখাটা, সোভাৰাম ব্ৰহ্ম কলেজ, বিজনী কলেজ আদিৰ সন্মুখত এবছুৱে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। নামনি অসমৰ একমাত্ৰ বিশ্ববিদ্যালয় বড়োলেণ্ড বিশ্ববিদ্যালয়ত এতিয়ালৈকে কোনো ধৰণৰ পঞ্জীয়ন নোহোৱাৰ বাবে সঠিক সময়ত পৰীক্ষা আৰু ফলাফলসমূহ সময়ত নিৰ্ধাৰিত আৰু নামভৰ্তি নোহোৱাৰ অভিযোগ উত্থাপন কৰি এই ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। বিশ্ববিদ্যালয়খনৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত এবছুৱে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক প্ৰদান কৰাৰ কথাও জনায় এবছুৰ নেতৃত্বই। কাৰ্যসূচীত 'বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য লাইশ্ৰাম লাডু সিং হুচিয়াৰ, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক নিলম্বন কৰক, ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি নেখেলিব, বড়োলেণ্ড বিশ্ববিদ্যালয়ত স্থায়ী উপাচাৰ্য নিয়োগ কৰক' আদি শ্ল'গানেৰে মহাবিদ্যালয়ৰ চৌহদ উত্তাল কৰি তোলে।

# বৰপথাৰত নকল সোণসহ তিনিজন ধৃত

**বৰপথাৰ, ২৭ নৱেম্বৰ ঃ** বৰপথাৰত নকল সোণ সৰবৰাহকাৰী তিনিজনীয়া এটা দুষ্ট চক্ৰক আটক কৰিছে আৰক্ষীয়ে। নকল সোণ সৰবৰাহকাৰী ধৃত দুৰ্বৃত্ত কেইজন হ'ল ক্ৰমে মেৰাপানী থানাৰ অন্তৰ্গত চাওদাঙ পথাৰৰ জগনাথ শইকীয়া (৩৫), ঘিলাধাৰী থানাৰ মাহীমেলিয়াৰ গকুল বৰা (৩৯) আৰু হিমন্ত হাজৰিকা (৩০)। ধৃত কেইজনৰ পৰা ১২০ গ্ৰাম নকল সোণ, ১৫২১০ টকা নগদ ধন আৰু তিনিটা ম'বাইল হেণ্ডছেট উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। দুৰ্বৃত্তৰ দলটোৱে নকল সোণখিনি বিক্ৰী কৰিবৰ বাবে কিছুদিনৰ পৰা গোপনে বৰপথাৰৰ আশে-পাশে গ্ৰাহকৰ সন্ধান অব্যাহত ৰাখিছিল আৰু সোণখিনিৰ বিনিময়ত ছয় লাখ টকা বিচাৰিছিল বুলি আৰক্ষীয়ে জানিবলৈ দিছে। এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত ধনশিৰি মহকুমাৰ মহকুমা আৰক্ষী বিষয়া ত্ৰিনয়ন ভূঞা আৰু বৰপথাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰেমেধৰ শইকীয়াৰ নেতৃত্বত যোৱা এটা দলে দুষ্ট চক্ৰটোক বৰপথাৰ থানাৰ অন্তৰ্গত বিলগাঁৱৰ তামুলী গাঁৱৰ দৈয়াং নদীৰ কুশল কোঁৱৰ সেতুৰ সমীপৰ পৰা আটক কৰিবলৈ সক্ষম হয়। বৰপথাৰ থানাত আৰক্ষীয়ে বৰ্তমান দুষ্টচক্ৰটোক সোধা-পোছা অব্যাহত ৰাখিছে। ধৃত চক্ৰটোৱে সোণখিনি চুৰি কৰি অনা বুলি আৰক্ষীয়ে সন্দেহ কৰিছিল যদিও সোণখিনি প্ৰকৃত সোণ হয়নে নহয় সেই সন্দৰ্ভত নিশ্চিত হ'বৰ বাবে অৰ্ধ গোলাকাৰ আকৃতিত থকা সোণখিনি পৰীক্ষা কৰাৰ অন্তত নকল সোণ বুলি নিশ্চিত হয়।

# শ্ৰীৰামপুৰত অনাথ সাথী ফাউণ্ডেছনৰ মানৱ সম্পদ গঢ়াৰ পদক্ষেপ

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ২৭ নৱেম্বৰ ঃ** যান্ত্ৰিকতাৰ ধামখুমীয়াৰ পৃথিৱীত সাম্প্ৰতিক সময়ত সকলোৱে নিজক লৈ ব্যস্ত হৈ থকাৰ মাজতো পৃথিৱীত এনে কিছু ব্যক্তি তথা মা্নৱ দৰদী স্বেচ্ছাসেৱী সংগঠন আছে যিসকলে মানৱতাৰ প্ৰমূল্যবোধৰ অভাৱ ঘটা পৃথিৱীত এতিয়াও মানৱীয়তাৰ মূল্যবোধ জীয়াই ৰখাৰ স্বাৰ্থত অবিৰত কাম কৰি গৈছে। তাৰে যেন এক জ্বলন্ত উদাহৰণ শ্ৰীৰামপুৰস্থিত মাতৃ আশ্ৰয় মেঘালী বৰ্মন মহন্তৰ স্মৃতিত পৰিচালিত অনাথ সাথী ফাউণ্ডেছন নামৰ বেচৰকাৰী প্ৰতিষ্ঠান। দৰিদ্ৰতাৰ কৱলত পৰি ককবকাই থকা শিশু, অভিভাৱকহীন শিশু, সমাজৰ একেবাৰে সম্বলহীন শিশুসকলৰ কাষত থিয় দিয়াটো মানৱতাৰ চৰম নিদৰ্শন হিচাপে বিবেচিত হৈছে অনুষ্ঠানটো। এই অনুষ্ঠানটোৰে মুৰব্বী কৃষ্ণ মুৰ্মুৱে 'দৈনিক অগ্ৰদূত'ক জানিবলৈ দিয়া মতে, বৰ্তমান মাতৃ আশ্ৰয় হোমটোত ২০ টা ল'ৰা-ছোৱালী আছে। অনুষ্ঠানত ভৰি দিলেই ধৰিব পাৰি আশ্ৰয় লৈ থকা শিশুহঁতৰ মাজত অনুষ্ঠানটোৱে যে প্ৰকৃতাৰ্থত হাঁহি বিৰিঙাই তুলিছে। অভিভাৱকহীন ল'ৰা-ছোৱালীহঁতে শিক্ষা লাভৰ সমান্তৰালভাৱে চলাইছে খেলা-ধূলা, শৰীৰ চৰ্চা আদি। সেই বাবেই অঞ্চলটোৰ ভিন ভিন বিদ্যালয়ত পঢ়ি থকা ল'ৰা-ছোৱালীসকলে পঢ়া-শুনাৰ উপৰি শৰীৰ চৰ্চা, খেল-ধেমালি আদিৰ ক্ষেত্ৰতো আন ল'ৰা-ছোৱালীৰ তুলনাত কোনো গুণে পিছ পৰি থকা নাই। কিন্তু মানৱতাৰ নিদৰ্শন দাঙি ধৰা এই পিতৃ-মাতৃ, অভিভাৱকহীন ল'ৰা-ছোৱালীৰ দুবেলা-দুমুঠি তুলি দিয়াৰ বাবে, এই আৱাস গৃহৰ বাবে চৰকাৰী-বেচৰকাৰী বিভিন্ন পক্ষৰ ওচৰত বাৰম্বাৰ আবেদন-নিবেদন কৰা সত্ত্বেও সহায়-সহযোগিতা লাভত ব্যৰ্থ হৈছে শিশুগৃহটোৰ দায়িত্ব থকাসকল। জনপ্ৰতিনিধিসকলো এই ক্ষেত্ৰত চকু মুদা কুলিৰ ভাও ধৰি নিৰ্বিকাৰ হৈ থকা বুলি তেওঁলোকে ক্ষোভ উজাৰে। বৰ্তমান গুৱাহাটীৰ হৰেন মহন্ত, কোকৰাঝাৰৰ জগদীশ ষ্টোৰৰ স্বত্বাধিকাৰী, শ্ৰীৰামপুৰৰ বাসুদেৱ চৌধুৰী আৰু অশোক সাহাই নিয়মিতভাৱে পিতৃ-মাতৃ, অভিভাৱকহীন ল'ৰা-ছোৱালীহঁতক জীয়াই থকাৰ বাবে সহায়ৰ হাত আগবঢ়াই আহিছে বুলি কৰ্মকৰ্তাসকলে অভিযোগ কৰিছে।

# আঘোণৰ পথাৰত 'অনবদ্য' উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**কমলপুৰ, ২৭ নৱেম্বৰ ঃ** ডিজিটেল মিডিয়া 'আজিৰ খবৰ' আৰু সামাজিক সাংস্কৃতিক স্বেচ্ছাসেৱী অনুষ্ঠান 'ইন্সপিৰেছন'ৰ উদ্যোগত আঘোণৰ সুঘ্ৰাণ বিচাৰি 'গাঁৱলৈ যাওঁ ব'লা-অন্তৰংগ আলাপ' অনুষ্ঠানত এক ব্যতিক্ৰমীভাৱে 'অনবদ্য' নামৰ ভিন্ন ৰুচি আলোচনী এখন শুকুৰবাৰে উন্মোচন কৰা হয়। কমলপুৰৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দ্বিগুণপাৰৰ সোণালী ধাননি পথাৰত 'অনবদ্য' নামৰ আলোচনীখন উন্মোচন কৰে দ্বিগুনপাৰৰ জ্যেষ্ঠ নাগৰিক ৰাজেন ভৰালী, কিৰণ ভৰালী, তেজপুৰ বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ ভাষা তত্ত্বৰ সহকাৰী অধ্যাপক ড° অৰূপ নাথ, সাংবাদিক বসন্ত দাস, অনুপমা ডেকা, দ্বীপেন ভৰালী, দীপাঞ্জলী ডেকা, আবৃত্তিকাৰ পাৰ্থ প্ৰতিম দত্তৰ লগতে কে'বাগৰাকী শিশুৱে। উন্মোচনী ভাষণত ড° অৰূপ কুমাৰ নাথে কয় যে এই ধৰণৰ আলোচনীবোৰে এক ধৰণৰ সাহিত্যিকৰ প্ৰয়োজন পূৰণ কৰে। নতুন প্ৰজন্মৰ লেখকসকলক সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহী কৰি তুলিব। চন্দন কলিতা আৰু হীৰক শৰ্মাৰ এই ব্যতিক্ৰম প্ৰয়াসক শলাগ লয়। লগতে আলোচনীখনৰ দীৰ্ঘায়ু কামনা কৰে। ব্যতিক্ৰমী অনুষ্ঠানত অন্যান্য উন্মোচকসকলে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। আলোচনীখন সম্পাদনা কৰিছে সাংবাদিক চন্দন কলিতাই।



*তেজপুৰত মাইক্ৰ'ফাইনেন্স আঁচনিৰ কুঁপন সংগ্ৰহৰ বাবে বন্ধন বেংকত দীঘলীয়া শাৰী, শনিবাৰে।*

## ■ ৰাইজক বিশুদ্ধ পানীৰ যোগান ধৰিবলৈ সচেতন ৰাইজৰ দাবী

# আমগুৰি লালিমছিগা পানী যোগান আঁচনিৰ কামত বিসংগতি

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ২৭ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টিৰ অন্তৰ্গত বিভিন্ন ঠাইত চৰকাৰী ধনেৰে নিৰ্মাণ অথবা মেৰামতি চলি থকা বিভিন্ন পানী যোগান আঁচনিত একাংশ ঠিকাদাৰে নিম্ন মানৰ কামেৰে চৰকাৰী ধনৰ শৰাধ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। একে কামত একাংশ ঠিকাদাৰে নিজ খিয়াল-খুচিৰে কাম সম্পাদন কৰি ৰাইজক বিশুদ্ধ পানী যোগানৰ পৰা বঞ্চিত কৰাৰ ফন্দি কৰিছে যদিও বিভাগীয় অভিযন্তা অথবা কোনো কৰ্তৃত্বশীল বিষয়া-কৰ্মচাৰীয়ে এই ক্ষেত্ৰত কোনো ব্যৱস্থা নোলোৱাত স্থানীয় একাংশ সচেতন লোকে চৰকাৰী আঁচনিৰ সফলভাৱে ৰূপায়ণ কৰিবলৈ দায়িত্বপ্ৰাপ্ত ঠিকাদাৰক তেওঁলোকৰ বিসংগতিপূৰ্ণ কামৰ বাবে লিখিত অভিযোগ দিবলৈ বাধ্য হৈছে। সম্প্ৰতি নিৰ্মাণ কাৰ্য চলি থকা তেনে এক পানী যোগান আঁচনি হ'ল লালিমছিগা পানী যোগান আঁচনি (খ)। স্থানীয় একাংশ সচেতন লোকে কৰা অভিযোগ মতে, সংশ্লিষ্ট পানী যোগান আঁচনিখনৰ কামৰ বাবে নিয়োজিত ঠিকাদাৰে বিসংগতিপূৰ্ণভাৱে পানী যোগান আঁচনিখনৰ কাম কৰাৰ বাবে ৰাইজ সমস্যাত পৰিব। ৰাইজে অভিযোগ কৰা মতে, পানী যোগান আঁচনিখনৰ পানী পৰিবাহী পাইপ পথৰ কালভাৰ্টৰ ওপৰেৰে স্থাপন, পানীৰ পাইপসমূহ নিৰ্দিষ্ট গভীৰতাৰ বিপৰীতে অতি কম গভীৰতাত সংস্থাপন, পানী যোগানৰ ঘৰুৱা সংযোগৰ ক্ষেত্ৰটো বিসংগতিপূৰ্ণভাৱে কাম সম্পাদন, পানী যোগান আঁচনিখনৰ বৈদ্যুতিক মটৰ সংস্থাপন কৰা পকী পিলাৰটো অতি দুৰ্বলভাৱে নিৰ্মাণ কৰাৰ লগতে পানী যোগান আঁচনিখনৰ বাবে পানী বিশুদ্ধিকৰণ কৰিবলৈ ব্যৱহাৰ কৰা শিল আৰু বালিখিনি বহু পুৰণি হোৱাৰ বাবে এই নিম্নমানৰ শিল-বালিয়ে পানী বিশুদ্ধ কৰাত সমস্যাৰ সৃষ্টি কৰিব। উল্লিখিত পানী যোগান আঁচনিখনৰ কাম-কাজৰ আৰম্ভণিতে এই বিসংগতিসমূহ দূৰ কৰি পানী যোগান আঁচনিখনৰ পৰা ভৱিষ্যতে ৰাইজৰ হ'ব লগা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি এই ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষই শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় সচেতন ৰাইজে দাবী জনাইছে।

# গহপুৰত সক্ৰিয় নকল সোণৰ সৰবৰাহকাৰী চক্ৰ

■ নকল সোণৰ নাওৰ লগতে বহিঃৰাজ্যৰ চাৰিসহ পাঁচজনক আটক ■ ভোলাগুৰি বস্তিত শৌচাগাৰৰ পৰা সোণৰ নাও উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**গহপুৰ, ২৭ নৱেম্বৰ ঃ** গহপুৰত পুনৰুদ্ধাৰ হ'ল নকল সোণৰ নাও। আজি ভোলাগুৰি বস্তিত গহপুৰ আৰক্ষীয়ে নকল সোণৰ টুকুৰাৰ লগতে বহিঃৰাজ্যৰ চাৰিজনসহ পাঁচজন লোকক আটক কৰে। তথ্য মতে, আজি পুৱাৰ ভাগত ভোলাগুৰি বস্তিত সন্দেহজনকভাৱে ঘূৰি ফুৰিছিল বহিঃৰাজ্যৰ হিন্দীভাষী চাৰিজন লোক। লোককেইজনৰ চাল-চলনৰ ওপৰত স্থানীয় ৰাইজৰ সন্দেহ ওপজাত ভোলাগুৰিবস্তি গাঁওৰক্ষী বাহিনীৰ সহযোগত



লোককেইজনক আটক কৰি গহপুৰ আৰক্ষীক খবৰ দিয়া হয়। আৰক্ষীৰ জেৰাত লোককেইজন উত্তৰ প্ৰদেশ আৰু মধ্যপ্ৰদেশৰ বুলি সদৰী কৰাৰ লগতে তেওঁলোকৰ স্বীকাৰোক্তিৰ ভিত্তিত ভোলাগুৰিবস্তিৰ নিৰ্মল বৈষ্ণৱ নামৰ এজন লোকৰ ঘৰৰ শৌচাগাৰত লুকুৱাই থোৱা অৱস্থাত এখন নকল সোণৰ নাও উদ্ধাৰ কৰে। নকল সোণ সৰবৰাহত জড়িত থকাৰ অভিযোগত নিৰ্মল বৈষ্ণৱৰ লগতে আৰক্ষীয়ে আটক কৰে মধ্যপ্ৰদেশৰ লক্ষণ ৰেকোৱাৰ, উত্তৰ প্ৰদেশৰ দিপন চনি, ৰাজেন চনি আৰু অনিল ডাকোৱালক। ঘটনাটোৰ সন্দৰ্ভত অধিক তথ্যৰ বাবে আৰক্ষীয়ে ধৃত কেইজনক সোধ-পোছ অব্যাহত ৰাখিছে। উল্লেখ্য যে যোৱা ১৯ নৱেম্বৰতো মহকুমাটোৰ টকৌবাৰীত হেলেম আৰক্ষীয়ে নকল সোণৰ নাওসহ নজন লোকক আটক কৰিছে।

## তিনিচুকীয়াত জাৰ্ণেলিষ্ট ইউনিয়নৰ সভা সম্পন্ন



অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২৭ নৱেম্বৰ ঃ** জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছামৰ তিনিচুকীয়া জিলা সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা তিনিচুকীয়াৰ মানৱ কল্যাণ প্ৰাৰ্থনা ভৱনত আজি অনুষ্ঠিত হয়। জিলা সভাপতি সীমান্ত চেতিয়াই সঞ্চালনা কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক মনোৰঞ্জন মৰাণে। উক্ত সভাত আগন্তুক কাৰ্যপন্থা সন্দৰ্ভত আলোচনা কৰাৰ লগতে সাংবাদিকৰ বিভিন্ন সমস্যা সন্দৰ্ভত কেন্দ্ৰীয় তথ্য আৰু জনসংযোগ মন্ত্ৰীক সাক্ষাৎ কৰি স্মাৰকপত্ৰ প্ৰদান কৰাৰ বাবে সভাত সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি অহা ডিচেম্বৰত সমাজসেৱামূলক কে'বাটাও কাম কৰাৰো সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উক্ত কাৰ্যনিৰ্বাহক সভাত জ্যেষ্ঠ সাংবাদিক অখিল চন্দ্ৰ বৰুৱা, কাজল চৌধুৰী, প্ৰশান্ত খাটোৱাল প্ৰমুখ্যে তিনিচুকীয়া, মাকুম, ফিল'বাৰী, ডিগবৈ আদি অঞ্চলৰ ১৫ গৰাকী সাংবাদিক-সংবাদকৰ্মীয়ে জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছামৰ সদস্য পদ গ্ৰহণ কৰে। সভাখনত জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছামৰ ৰাজ্যিক উপ-সভাপতি ৰূপম কাকতি, জিলা উপদেষ্টা ৰৌশনলাল ভৰদ্বাজ, উপ-সভাপতি অমৃত শৰ্মা আদি উপস্থিত থাকে।

## মাটিখোলা পঞ্চায়তত জিলা কংগ্ৰেছৰ জনজাগৰণ অভিযানত সাংসদ গগৈ



অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২৭ নৱেম্বৰ ঃ** গোলাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত মাটিখোলা পঞ্চায়তৰ বৰজান গাঁৱৰ পদুমণি ব্লক কংগ্ৰেছৰ উপ-সভাপতি নৰেন বৰাৰ বাসগৃহত আজি গোলাঘাট জিলা কংগ্ৰেছৰ উদ্যোগত আৰু পদুমণি ব্লক কংগ্ৰেছৰ সহযোগত জনজাগৰণ অভিযান অনুষ্ঠিত হয়। উল্লেখ্য যে জনজাগৰণ কাৰ্যসূচীত কলিয়াবৰ লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে অংশগ্ৰহণ কৰি দেশৰ অনিয়ন্ত্ৰিত মূল্যবৃদ্ধিৰ প্ৰসংগ উল্লেখ কৰি বিজেপি চৰকাৰে জনসাধাৰণক মাধমাৰ শোধাইছে বুলি কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে বৰ্তমান দেশৰ ডিজেল-পেট্ৰ'লৰ মূল্যবৃদ্ধি আৰু নিত্য প্ৰয়োজনীয় দ্ৰব্য-সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হৈ আহিছে বুলি সদৰী কৰে। ইয়াৰ উপৰি সাংসদজনে ৰাইজৰ স্বাৰ্থত কংগ্ৰেছ চৰকাৰে সদায় কাম কৰি যাব বুলি আশ্বাস প্ৰদান কৰে। অভিযান কাৰ্যসূচীৰ পাছত পদুমণি ব্লক কংগ্ৰেছৰ সভাপতি মদন বৰাৰ সভাপতিত্বত এখন কৰ্মী তথা জনজাগৰণ সভা অনুষ্ঠিত হয়। জিলা কংগ্ৰেছৰ সভাপতি ডাবু টাইডে উদ্দেশ্য ব্যাখ্যা কৰা সভাত এপিচিচি সদস্য বিতুপণ শইকীয়া, জিলা কংগ্ৰেছৰ আইন উপদেষ্টা নিতুল বৰা, সাধাৰণ দিপাংকৰ বৰা, ভূপেন ৰাজখোৱা, জিলা যুৱ কংগ্ৰেছৰ সভাপতি দেৱব্ৰত ফুকন, পদুমণি ব্লক মহিলা কংগ্ৰেছৰ সভানেত্ৰী নিবেদিতা বৰুৱা, পদুমণি ব্লক যুৱ কংগ্ৰেছৰ সভাপতি দুলাল হাজৰিকা প্ৰমুখ্যে সমষ্টিটোৰ মণ্ডল কংগ্ৰেছৰ সভাপতি-সম্পাদকসকল তথা দলীয় কৰ্মকৰ্তাসকল উপস্থিত থাকে।

## য'ত মৰম নাই - তাত কাম নাই ঃ কুৰ্মী

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২৭ নৱেম্বৰ ঃ** মৰিয়নি বিধানসভা সমষ্টিৰ পৰা একেলেথাৰিয়ে পঞ্চমবাৰৰ বাবে বিধায়ক নিৰ্বাচিত হোৱা ৰূপজ্যোতি কুৰ্মীক যোৱা ২৬ নৱেম্বৰৰ সন্ধিয়া মৰিয়নিৰ অগ্ৰণী সামাজিক, ক্ৰীড়া-সাংস্কৃতিক অনুষ্ঠান 'কিংশুক' ক্ৰীড়া আৰু সাংস্কৃতিক চ'ৰাৰ উদ্যোগত সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে মৰিয়নিৰ কিংশুকৰ সভাকক্ষত অনুষ্ঠিত মনোগ্ৰাহী অনুষ্ঠানত কিংশুকৰ তৰফৰ পৰা বিধায়ক কুৰ্মীক ফুলৰ থোপা, গামোচা, চেলেং চাদৰ, সঁফুৰা, সম্বৰ্ধনা পত্ৰ আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই অনুষ্ঠানতে কিংশুক মহিলা চ'ৰায়ো বিধায়কজনক সম্বৰ্ধনা জনায়। একেদৰে ৰিজু ৰাজকোঁৱৰ মালাকাৰ, ৰুমা ডেকা, ধৰ্মেন্দ্ৰ চেতিয়া, মৰিয়নি পৌৰসভাৰ প্ৰাক্তন ৱাৰ্ড কমিছনাৰ ৰিজুমণি চেতিয়া দাস আদিয়েও সম্বৰ্ধনা জনায়। কিংশুকৰ সম্পাদক দিব্যজ্যোতি শইকীয়াই আঁত ধৰা অনুষ্ঠানত কিংশুকৰ প্ৰতিষ্ঠাপক সম্পাদক তথা মৰিয়নি জাতীয় বিদ্যাপীঠৰ অধ্যক্ষ ৰঞ্জিত গোহাঁই বৰুৱা, কিংশুকৰ সভাপতি তৰুণ শইকীয়াই বক্তব্য প্ৰদান কৰি বিধায়ক কুৰ্মীক উৎসাহিত কৰে। আনহাতে, অনুষ্ঠানত সম্বৰ্ধনা গ্ৰহণ কৰি বিধায়ক কুৰ্মীয়ে কিংশুকৰ এনে উদ্যোগৰ শলাগ লোৱাৰ লগতে সৰুতে মাতৃ প্ৰয়াত মন্ত্ৰী ৰূপম কুৰ্মীৰ স'তে মৰিয়নিলৈ আহোতে প্ৰত্যক্ষ কৰা সামাজিক অনুষ্ঠান কিংশুকৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, 'য'ত মৰম পোৱা নাযায় তাত কোনো কাম নাই।কিংশুকে তেওঁক মৰম দিছে আৰু সেয়া তেওঁ সদায় মনত ৰাখিব।' তদুপৰি সামাজিক অনুষ্ঠান হিচাপে কিংশুকক মৰিয়নি সমষ্টিৰ উন্নয়নৰ ক্ষেত্ৰত সহযোগ কৰিবলৈও বিধায়ক কুমীয়ে আহ্বান জনায়। এই অনুষ্ঠানতে কিংশুকলৈ আৰ্থিক সাহায্য আগবঢ়োৱা মৰিয়নিৰ যুৱ সমাজকৰ্মী জিয়াউৰ ৰহমানকো সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত মৰিয়নিৰ জ্যেষ্ঠ নাট্যকৰ্মী- সমাজ সংগঠক অজিত চক্ৰৱৰ্তী, অৰূপ ফুকন, অজিত শইকীয়া, অৰুণ বেৰিয়া, ৰাতুল হাতীবৰুৱা, শিক্ষক প্ৰীতম শইকীয়া, শিক্ষক দীপ কুমাৰ শৰ্মা, মৰিয়নি প্ৰেছ ক্লাবৰ সভাপতি জীৱন চন্দ্ৰ দত্ত মৰিয়নি ই-মিডিয়া সন্থাৰ সম্পাদক প্ৰাঞ্জল পাওগাম, শিক্ষয়িত্ৰী-সাংস্কৃতিক কৰ্মী পূৰবী চেতিয়া নাথ আদি বহু সংখ্যক লোক উপস্থিত থাকে।

## নগাঁৱত ব্যতিক্ৰমী অনুষ্ঠান 'অসমীয়া ভাষাৰ বিদায় বেলাত নগাঁৱত কবিতা পাঠ'

বিশেষ সংবাদদাতা

**নগাঁও, ২৭ নৱেম্বৰ ঃ** অসম লোকসেৱা আয়োগৰ পৰীক্ষাত অসমীয়া ভাষাৰ যোগ্যতামূলক কাকত প্ৰত্যাহাৰ কৰি তিনিটাকৈ চৰ্ত আৰোপ কৰা সিদ্ধান্তৰ অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰা হয় নগাঁও চহৰত।




'অসমীয়া ভাষাৰ বিদায় বেলাত নগাঁৱত কবিতা পাঠ' শীৰ্ষক অনুষ্ঠানৰে কেইজনমান লোকে অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰে নগাঁও চহৰত। অনুষ্ঠানত অন্যতম আহ্বায়ক দুলাল বৰাই অতি আশংকা প্ৰকাশ কৰি কয়, 'পৃথিৱীত বহু ভাষা হেৰাই যোৱাৰ দৰেই আমাৰ মাতৃভাষাও হেৰাই যাব। আজি অসমৰ ভূমিপুত্ৰসকলে মুখ ফুটাই একো নক'ব পাৰে তেওঁলোকৰে অন্তৰে কান্দিছে, আনে নেদেখাকৈ কান্দিছে।' আজি নগাঁও মহাবিদ্যালয়ৰ সমীপৰ মতিৰাম বৰাৰ প্ৰতিমূৰ্তিৰ সন্মুখত অনুষ্ঠিত উক্ত অনুষ্ঠানত সদৌ অসম কবি সন্মিলনৰ সাংগঠনিক সচিব সঞ্জীৱ সাগৰ চৌধুৰীয়ে এটা স্বৰচিত কবিতা পাঠ কৰাৰ লগতে কয়, 'অসম লোকসেৱা বাছনি পৰীক্ষাৰ পৰা অসমীয়া প্ৰশ্ন কাকতখন নোহোৱা কৰি ভাষাটোক হত্যা কৰাৰ নিচিনা কাম কৰিছে।' অসম কবি সন্মিলনৰ নগাঁও জিলা সমিতিৰ সম্পাদক পৱন শৰ্মাই কয়, 'অসম লোকসেৱা পৰীক্ষাত অসমীয়া মাতৃভাষাৰ প্ৰশ্নকাকত নাথাকিলে অভিভাৱকে নিজৰ সন্তানক মাতৃভাষাৰ বিদ্যালয়ত কি পঢ়াব।' উক্ত অনুষ্ঠানত কবি ৰাতুল শৰ্মা, ভাৰতীয় ষ্টেট বেংকৰ অৱসৰপ্ৰাপ্ত বিষয়া, কবি অশোকৰাম ভট্টাচাৰ্য, অধিবক্তা ইমদাদ হুছেইন কবিতা পাঠ কৰাৰ লগতে সমাজ সচেতক যুৱ ব্যক্তি বিৰিঞ্চি বৰাই এটা কবিতা আবৃত্তি কৰি চৰকাৰক অসমীয়া ভাষাৰ সুৰক্ষাৰ আহ্বান জনায়। ভাৰতীয় গণনাট্য সংঘ, নগাঁও জিলা সমিতিৰ সভাপতি মোলান লস্কৰে চৰকাৰে ভাষা আৰু জাতিক জীয়াই ৰখাৰ বাবে কাম নকৰি বধ কৰাৰ বাবেহে আগভাগ লৈছে বুলি বক্তব্য আগবঢ়ায়।

## সোণাপুৰত টোলগেট কৰ্তৃপক্ষৰ মইমতালিৰ বিৰুদ্ধে কাইলৈ 'গণ বিক্ষোভ'

অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ২৭ নৱেম্বৰ ঃ** সোণাপুৰৰ চাৰিপথযুক্ত ৩৭ নম্বৰ ঘাইপথ তথা নাজিৰাখাটত থকা টোলগেটত স্থানীয় ৰাইজৰ টোলকৰ ৰেহাইৰ দাবীত অহা ২৯ নৱেম্বৰত 'গণবিক্ষোভ' কাৰ্যসূচীৰ আহ্বান কৰিছে বৃহত্তৰ ডিমৰীয়া টোলগেট প্ৰতিবাদী মঞ্চই। পুৱা ১১ বজাৰ পৰা যোগদলত ৰূপায়ণ হ'বলগীয়া কাৰ্যসূচীত সকলো ভুক্তভোগী ডিমৰীয়া ৰাইজৰ উপস্থিতি কামনা কৰিছে মঞ্চই। উল্লেখ্য যে টোলগেটৰ নকৈ নিবিদা লাভ কৰিয়েই এইছ এম চি নামৰ প্ৰতিষ্ঠানটোৱে স্থানীয় ৰাইজে পূৰ্বতে লাভ কৰি অহা সকলো সুবিধা বাতিল কৰিছিল। বিশেষকৈ সোণাপুৰ ৰাজহ চক্ৰৰ অধীনস্থ ব্যক্তিগত লঘু যানবাহনসমূহে লাভ কৰি অহা টোল কৰ ৰেহাই বাতিলকে ধৰি বাণিজ্যিক লঘু আৰু গধুৰ যানবাহনসমূহে মাহেকীয়া হিচাপত লাভ কৰা টোল কৰ ৰেহাই বাতিল আৰু টোলগেটত নিয়োজিত স্থানীয় কৰ্মচাৰীসকলক কৰ্মৰ পৰা অব্যাহতি দিছিল। এনে পৰিপ্ৰেক্ষিতত স্থানীয় দল-সংগঠন, নাগৰিক সমাজৰে এইছ এম চি কৰ্তৃপক্ষৰে কে'বালানি আলোচনাও হৈছিল। কিন্তু আলোচনাত কোনো ফলপ্ৰসূ সিদ্ধান্তত উপনীত নোহোৱাত টোলগেট প্ৰতিবাদী মঞ্চই 'গণবিক্ষোভ' কাৰ্যসূচীৰ আহ্বান কৰে।

## নাজিৰা মহাবিদ্যালয়লৈ গ্ৰন্থ দান

অগ্ৰদূত বাৰ্তা

**শিমলগুৰি, ২৭ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ অন্যতম ইতিহাস সমৃদ্ধ অঞ্চলৰূপে পৰিচিত নাজিৰাৰ মাদুৰি অঞ্চলৰ অনাতাঁৰ কেন্দ্ৰৰ গীতিকাৰ কবি-সাহিত্যিক 'নাজিৰা ডালিমা বাখৰ কছাৰী কমল' খ্যাত প্ৰয়াত কমল কছাৰীৰ ব্যক্তিগত পুথিভঁৰালৰ সমগ্ৰ গ্ৰন্থ নাজিৰা মহাবিদ্যালয়ক দান কৰে পৰিয়ালবৰ্গই। নাজিৰা মহাবিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভঁৰাললৈ তেওঁৰ পৰিয়ালবৰ্গৰ হৈ পুত্ৰ তথা শিল্পী মানৱতা প্ৰাণ কছাৰীয়ে যোৱা ২৬ নৱেম্বৰত মহাবিদ্যালয় কৰ্তৃপক্ষক দান কৰে। মহাবিদ্যালয় কৰ্তৃপক্ষৰ হৈ অধ্যক্ষ ড° ৰাজু ফুকন আৰু গ্ৰন্থগাৰিক ড° ৰাজেন্দ্ৰ মোহন দেৱ শৰ্মাই গ্ৰন্থসমূহ গ্ৰহণ কৰে।

## বৰপথাৰত অগ্নি নিৰ্বাপক বাহিনীৰ সজাগতামূলক কাৰ্যসূচী

**বৰপথাৰ, ২৭ নৱেম্বৰ ঃ** ৰাজ্যৰ প্ৰতিটো প্ৰান্তৰ লগতে ধনশিৰি মহকুমাৰ বৰপথাৰতো অগ্নি নিৰ্বাপক আৰু আপাদকালীন জৰুৰী সেৱা বিভাগে সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰে। বিভাগটোৰ বৰপথাৰ ছেৰাগুৰিস্থিত কাৰ্যালয়ে সজাগতামূলক কাৰ্যসূচীৰ অংশৰূপে ছেৰাগুৰি গাঁৱৰ ভাৰ্গৱ পেট্ৰ'ল পাম্পত এক কাৰ্যসূচী ৰূপায়ণ কৰে। ছেৰাগুৰিস্থিত অগ্নি নিৰ্বাপক আৰু জৰুৰীকালীন সেৱাৰ কাৰ্যালয়ৰ কৰ্মচাৰীসকলে ভূমিকম্প, বানপানী আৰু জুইৰ পৰা জনসাধাৰণে কেনেদৰে হাত সাৰিব পাৰে তাৰ ওপৰত কাৰ্যসূচী অনুষ্ঠিত কৰে। ৰাজ্যজুৰি চলা অগ্নি নিৰ্বাপক আৰু জৰুৰীকালীন সেৱাৰ এই সজাগতামূলক কাৰ্যসূচী প্ৰত্যেক মাহৰ ২৭ আৰু ২৯ তাৰিখে ধনশিৰি মহকুমাৰ বৰপথাৰ আৰু সৰুপথাৰতো চলিব বুলি অগ্নি নিৰ্বাপক বাহিনীৰ বিষয়াই জানিবলৈ দিয়ে। কাৰ্যসূচী মৰ্মে ধনশিৰি মহকুমাৰ অন্তৰ্গত বৰপথাৰ আৰু সৰুপথাৰ পৌৰসভাৰ একাংশ স্থানত ৰূপায়ণ কৰাৰ উপৰি অনাগত দিনত বিদ্যালয়সমূহতো ক্ৰমান্বয়ে সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলি জানিবলৈ দিয়ে।

## নীলবাগানত অবৈধ পাৰ্কিঙক লৈ দুই পক্ষৰ সংঘৰ্ষ ঃ আহত চাৰি



অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৭ নৱেম্বৰ ঃ** হোজাই জিলাৰ নীলবাগানত আজি অবৈধ পাৰ্কিঙক কেন্দ্ৰ কৰি দুটা পক্ষৰ মাজত চলা মাৰপিটৰ ঘটনাক লৈ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উত্তেজিত লোকে হাতে হাতে লাঠি-বাটাম আদি লৈ এটা পক্ষই আনটো পক্ষক খেদি খেদি আক্ৰমণ-প্ৰত্যাক্ৰমণ কৰাত চাৰিজন লোক গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'ব লগা হয়। পাছত ঘটনাস্থলীত নীলবাগান আৰক্ষী আৰু মোৰাঝাৰ আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। উল্লেখ্য যে সদাব্যস্ত নীলবাগানৰ গড়কাপ্টানী পথৰ দুয়োকাষে ই-ৰিক্সা, অট', মেজিক আদি অবৈধ পাৰ্কিঙৰ ফলত প্ৰায়ভাগ সময়ত পথচাৰী অহা-যোৱা কৰাত অসুবিধাৰ সন্মুখীন হৈ আহিছে। পথৰ দুয়োকাষে ই-ৰিক্সা ৰখাই থোৱাৰ বাবে আব্দুল কুদ্দুছ নামৰ এজন লোকৰ চাৰিচকীয়া বাহনখন ক্ষতিসাধন হোৱাক কেন্দ্ৰ কৰি মাৰপিটৰ ঘটনা সংঘটিত হয়। এই ঘটনাৰ পাছতে দুয়োটা পক্ষই মোৰাঝাৰ আৰক্ষী থানাত পৃথকে পৃথকে এজাহাৰ দাখিল কৰে। উল্লেখ্য যে সামান্য কথাতে মাৰপিটৰ ঘটনা সংঘটিত হোৱাক লৈ নীলবাগান অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## বাগ্‌সাৰ কালপানীত পিএফআইৰ স্বাস্থ্য সজাগতা কাৰ্যসূচী ৰূপায়ণ

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৭ নৱেম্বৰ ঃ** বাগ্‌সাৰ শালবাৰীৰ কালপানীৰ এলেঙামাৰীত আজি পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়া চমুকৈ পিএফআইৰ উদ্যোগত সুস্থ নাগৰিক সুস্থ দেশ শীৰ্ষক এক সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পিএফআইৰ কালপানী এৰিয়া সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে এলেঙামাৰী চ'কত অনুষ্ঠিত স্বাস্থ্য সজাগতা কাৰ্যসূচীমৰ্মে পুৱাৰ ভাগত মাৰাথন ৰেলী, পতাকা উত্তোলন, গছপুলি ৰোপণ, যোগ চৰ্চা (শৰীৰচৰ্চা), বিভিন্ন প্ৰতিযোগিতামূলক খেল-ধেমালি আদি অনুষ্ঠিত হয়। আবেলি স্বাস্থ্য সজাগতা আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। দিনজোৰা কাৰ্যসূচীত ভিন্ন প্ৰান্তৰ অতিথিসকলৰ স'তে স্থানীয় ৰাইজে সহযোগিতা কৰা পৰিলক্ষিত হয়।

## ৪৯ সংখ্যক ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ দ্বি-বাৰ্ষিক অধিবেশনৰ লাইখুঁটা স্থাপন

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ২৭ নৱেম্বৰ ঃ** ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৪৯ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখন অহা ১১ ডিচেম্বৰৰ পৰা ডিমৌৰ কাষৰীয়া ঐতিহাসিক বেজদ'লৰ প্ৰাংগণত অনুষ্ঠিত হ'ব। আজি অধিৱেশনৰ মূল মণ্ডপৰ লাইখুঁটা স্থাপন কৰে মৰাণ সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে। বিধায়ক গগৈয়ে লাইখুঁটা স্থাপন কৰি অধিৱেশনখন সুন্দৰকৈ আয়োজন কৰিবলৈ উদ্যোক্তা সমিতিক আহ্বান জনায়। উক্ত অনুষ্ঠানত খোৱাং প্ৰাথমিক খণ্ড শিক্ষা বিষয়া তথা আদৰণি সমিতিৰ সভাপতি মহেন্দ্ৰ শৰ্মা, কাৰ্যকৰী সভাপতি নৰেশ্বৰ বৰুৱা, জীৱন বৰুৱা, যুটীয়া সম্পাদকত্ৰয় কুলেন বৰগোহাঁই, মণ্টু কুমাৰ বৰুৱা, চন্দন হাতীবৰুৱা, ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি পুষ্পধৰ তামুলী, সাধাৰণ সম্পাদক পংকজ বড়া, ধেমেচী গাঁও পঞ্চায়তৰ সভাপতি অতুল চাংমাই, সমাজ কৰ্মী কুকিল বৰুৱাকে ধৰি



ডিব্ৰুগড় জিলাৰ সাতোটা প্ৰাথমিক শিক্ষাখণ্ডৰ পৰা অহা কে'বা শতাধিক শিক্ষক-শিক্ষয়িত্ৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। আজি আহোম জনগোষ্ঠীৰ মাংগলিক নীতি-নিয়মৰ মাজেৰে লাইখুঁটা স্থাপন কৰা হয়। উল্লেখ্য যে দুদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক বেজদ'লৰ বাকৰিত অধিৱেশনখন অনুষ্ঠিত হ'বলগীয়া অধিৱেশনৰ মুকলি সভাত মন্ত্ৰী যোগেন মহন, বিমল বড়া, বিধায়ক চক্ৰধৰ গগৈ, সুশান্ত বৰগোহাঁই, পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, নগৰ পানীযোগান আৰু পয়প্ৰণালী নিগমৰ অধ্যক্ষ কুশল দুৱৰী, মিচিং স্বায়ত্তশাসিত পৰিষদৰ সদস্য প্ৰশান্ত বড়িৰ লগতে অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ কাৰ্যকৰী সভাপতি ৰাতুল গোস্বামী, সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা, জনপ্ৰিয় কণ্ঠশিল্পী কুসুম কৈলাশে অংশগ্ৰহণ কৰিব বুলি আদৰণি সমিতিয়ে জানিবলৈ দিছে।

## বিশিষ্ট কবি সনন্ত তাঁতিৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২৭ নৱেম্বৰ ঃ** অসমীয়া কাব্যিক জগতৰ বিশিষ্ট কবি সনন্ত তাঁতিৰ মৃত্যুত শোক প্ৰকাশ কৰিছে গোলাঘাটৰ ফৰকাটিং-ঘিলাধাৰী, জামুগুৰি প্ৰেছ ক্লাব আৰু লক্ষীবাৰী শাখা সাহিত্য সভাই। সংগঠন কেইটাৰ বিষয়ববীয়া ক্ৰমে দ্বীপজ্যোতি বৰদলৈ, জীৱন গগৈ, খগেন বৰা, পাৰ্থপ্ৰতীম শইকীয়া, জয়ন্ত হাজৰিকাই তাঁতিৰ মৃত্যুয়ে অসমীয়া সাহিত্য আৰু কাব্য জগতত অপূৰণীয় ক্ষতি কৰিলে বুলি সদৰী কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

## বাগ্‌সা জিলা এবছুৰ অধিবেশনৰ মইনামাতাৰ হেলচিগুৰিত লাইখুঁটা স্থাপন

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৭ নৱেম্বৰ ঃ** অহা সাত, আঠ আৰু ন জানুৱাৰীত বাগ্‌সা জিলাৰ খাৰিজা বিজনীৰ মইনামাতা হেলচিগুৰিত অনুষ্ঠিত হ'ব বাগ্‌সা জিলা এবছুৰ বাৰ্ষিক অধিবেশন। সেই উপলক্ষে আজি মইনামাতাৰ হেলচিগুৰিত অধিবেশনখনৰ লাইখুঁটা স্থাপন কৰা হয়। লাইখুঁটা স্থাপন কৰে এবছুৰ বাগ্‌সা জিলা সভাপতি উমেশ দৈমাৰীয়ে। ধৰ্মীয় ৰীতি-নীতিৰে লাইখুঁটা স্থাপন কৰি দৈমাৰীয়ে এবছুৰ সাধাৰণ সম্পাদক নন্দেশ্বৰ বড়ো, মুখপাত্ৰ কুমুদ বড়ো, কোষাধ্যক্ষ বীৰকং বড়ো, শিক্ষা সম্পাদক নিতু কুমাৰ ব্ৰহ্ম, গোৰৰ্ধনা আঞ্চলিক এবছুৰ সাধাৰণ সম্পাদক চানচুমা বসুমতাৰী, হাউলী আঞ্চলিক এবছুৰ সভাপতিদেটবংশ মুছাহাৰী, সম্পাদক মনীন্দ্ৰ বসুমতাৰী, মথনগুৰি পৰিষদীয় সমষ্টিৰ টিচিএলচিচিৰ উপাধ্যক্ষ যোগেশ্বৰ বসুমতাৰী, সমাজকৰ্মী বানাসিং গয়াৰীৰ লগতে বহুসংখ্যক এবছু কৰ্মী আৰু ৰাজি উপস্থিত থাকে।

## পূব ডিক্ৰং মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২৭ নৱেম্বৰ ঃ** বিহপুৰীয়াৰ পূব প্ৰান্তত ১৯৯১ত প্ৰতিষ্ঠা লাভ কৰা পূব ডিক্ৰং মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনখন আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি মিণ্টু শইকীয়াৰ দ্বাৰা পতাকা উত্তোলনৰ পাছতে ছহিদ তৰ্পণ কাৰ্যসূচী মুকলি কৰে প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক কনক খণ্ডালে। ইয়াৰ পাছতে সন্মিলনৰ উপ-সভাপতি ৰাতুল হাজৰিকাৰ সঞ্চালনাত সতীৰ্থ সন্মিলন অনুষ্ঠিত হোৱাৰ লগতে বিয়লি মুকলি সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক জ্যোতি শইকীয়াই




উদ্বোধন কৰা সভাখনৰ আঁত ধৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক পূৰ্ণ বৰা আৰু প্ৰাক্তন ছাত্ৰ ৰাতুল হাজৰিকাই। সন্মিলনৰ কাৰ্যকৰী সভাপতি মাধৱ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত আদৰণি ভাষণ দিয়ে ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক বিদ্যুৎ শইকীয়াই। সভাত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° প্ৰশান্ত নেওগে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াই মহাবিদ্যালয়খনৰ নাম উজ্জ্বলাবলৈ সক্ষম হোৱাত সন্তোষ প্ৰকাশ কৰে। মহাবিদ্যালয়খনক আগুৱাই নিয়াৰ ক্ষেত্ৰত প্ৰাক্তন শিক্ষাৰ্থীৰ সহযোগিতা কামনা কৰে নেওগে। এটি আৰম্ভণি গীতেৰে আৰম্ভ কৰা সভাখনত বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে গীত-মাত পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

## ট্ৰেন্সফৰ্মাৰ স্থাপন কৰাৰ দুবছৰৰ পাছতো নহ'ল ঘৰুৱা সংযোগ

■ মেৰাপানীত প্ৰহসনত পৰিণত বিদ্যুৎ বিতৰণ বিভাগৰ সৌভাগ্য আঁচনি

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ২৭ নৱেম্বৰ ঃ** ৰাজ্যৰ জনসাধাৰণৰ সুবিধাৰ্থে বিদ্যুৎ বিতৰণ বিভাগৰ দ্বাৰা গ্ৰহণ কৰা সৌভাগ্য আঁচনিখন এতিয়া যেন প্ৰহসনত পৰিণত হৈছে। তাৰে এক জ্বলন্ত উদাহৰণ পোহৰলৈ আহিছে গোলাঘাট জিলাৰ মেৰাপানীৰ নাৰায়ণপুৰ গাঁৱত স্থাপন কৰা ট্ৰেন্সফৰ্মাৰ। তথ্য মতে, আজি দুবছৰৰ পূৰ্বে গোপী কৃষণ কোম্পানীৰ তত্ত্বাৱধানত ঠিকাদাৰে বিদ্যুৎ বিভাগৰ সৌভাগ্য আঁচনি ৰূপায়ণৰ নামত নাৰায়ণপুৰ গাঁওখনত দুটাকৈ ট্ৰেন্সফৰ্মাৰ স্থাপন কৰে আৰু গাঁৱৰ ৰাইজক এটাকৈ মিটাৰ প্ৰদান কৰে। কিন্তু ট্ৰেন্সফৰ্মাৰ স্থাপন কৰাৰ দুবছৰ পাৰ হোৱাৰ পাছতো ঠিকাদাৰে ঘৰুৱা সংযোগ নকৰিলে। আনহাতে, বিদ্যুতৰ তাঁৰ বিদ্যুত খুঁটাত নলগোৱাকৈ মাটিতে পেলাই থৈ কাম



আধৰুৱা কৰি আবণ্টিত পুঁজি উলিয়াই নিয়ে। ৰাইজে জানিবলৈ দিয়া মতে, বিদ্যুৎ সংযোগ নকৰাকৈ এতিয়া প্ৰত্যেক ঘৰলৈ ১২ৰ পৰা ১৫ হেজাৰ টকাকৈ বিদ্যুৎ বিল অহা বুলি জানিবলৈ দি চৰকাৰক উক্ত বিল ৰেহাই দিবলৈ আহ্বান জনায়। স্থানীয় ৰাইজে বিদ্যুৎ সংযোগ নকৰাৰ বাবে ঠিকাদাৰৰ বিৰুদ্ধে সংশ্লিষ্ট কৰ্তৃপক্ষক অভিযোগ দাখিল কৰিছিল যদিও কোনো সুফল লাভ নকৰা বুলি জানিবলৈ দিয়ে। ৰাইজে কয় যে চৰকাৰে সৌভাগ্য আঁচনি ৰূপায়ণৰ নামত ৰাইজৰ দুৰ্ভাগ্যহে আনিছে। সেয়েহে অসম চৰকাৰৰ বিত্তমন্ত্ৰী তথা স্থানীয় বিধায়িকা অজন্তা নেওগ আৰু বিদ্যুৎ বিভাগৰ মন্ত্ৰী বিমল বৰাই এই ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি মেৰাপানী নাৰায়ণপুৰ গাঁওখনৰ সাধাৰণ ৰাইজৰ দুৰ্দশা দূৰ কৰিবলৈ সৌভাগ্য আঁচনি সফল ৰূপায়ণ কৰিবলৈ আহ্বান জনাইছে।

সত্যমেৱ জয়তে
অসম চৰকাৰ

# ১১ লাখ প্ৰথম শ্ৰেণী ( নিয়মীয়া পৰিশোধকাৰী ) হিতাধিকাৰীৰ বাবে

# অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১ৰ শুভাৰম্ভণি



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

এই আঁচনিখনৰ ৰাজ্যিক পৰ্যায়ৰ শুভাৰম্ভণি অনুষ্ঠান অহা ২৮ নৱেম্বৰ,২০২১ তাৰিখে শোণিতপুৰ জিলাত অনুষ্ঠিত হ'ব। নৱেম্বৰ মাহত নিম্নলিখিত মুঠ ৮ খন জিলাৰ হিতাধিকাৰীসকলক উদগনিমূলক সাহায্য প্ৰদান কৰা হ'ব। বাকী জিলাসমূহৰ হিতাধিকাৰীসকলে পৰৱৰ্তী মাহৰ পৰা উদগনিমূলক সাহায্য লাভ কৰিব।

| ক্ৰ | জিলা | তাৰিখ | স্থান | অনুষ্ঠানৰ বিশিষ্ট অতিথি |
|---|---|---|---|---|
| ১ | শোণিতপুৰ | ২৮ নৱেম্বৰ, ২০২১ | তেজপুৰ কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয় | **ড° হিমন্ত বিশ্ব শৰ্মা**, মাননীয় মুখ্যমন্ত্ৰী, অসম<br>**শ্ৰীযুতা অজন্তা নেওগ**, মাননীয়া বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত পীযুষ হাজৰিকা**, মাননীয় জল সম্পদ,তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত অশোক সিংঘল**, মাননীয় গৃহ আৰু নগৰ পৰিক্ৰমা, গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী |
| ২ | মাজুলী | ২৯ নৱেম্বৰ, ২০২১ | দক্ষিণপাট | **ড° হিমন্ত বিশ্ব শৰ্মা**, মাননীয় মুখ্যমন্ত্ৰী, অসম<br>**শ্ৰীযুতা অজন্তা নেওগ**, মাননীয়া বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত বিমল বৰা**, মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী |
| ৩ | শিৱসাগৰ | ২৯ নৱেম্বৰ, ২০২১ | বোৰ্ডিং ফিল্ড | **ড° ৰণোজ পেগু**, মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী |
| ৪ | যোৰহাট | ২৯ নৱেম্বৰ, ২০২১ | যোৰহাট আদালত খেলপথাৰ | **ড° ৰণোজ পেগু**, মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী |
| ৫ | ডিমা হাছাও | ২৯ নৱেম্বৰ, ২০২১ | জিলা পুথিভঁৰাল সভাকক্ষ, হাফলং | **শ্ৰীযুত যোগেন মহন**, মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পাৰ্বত্য অঞ্চল বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত দেৱলাল গাৰ্লোচা**, মাননীয় মুখ্য কাৰ্যবাহী সদস্য<br>**শ্ৰীযুতা নন্দিতা গাৰ্লোচা**, মাননীয়া বিধায়িকা<br>**শ্ৰীযুতা ৰাণু লাংথাছা**, মাননীয়া অধ্যক্ষা |
| ৬ | পশ্চিম কাৰ্বি আংলং | ২৯ নৱেম্বৰ, ২০২১ | কছাৰী বস্তী সভাকক্ষ, খেৰণি বজাৰ | **শ্ৰীযুত যোগেন মহন**, মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পাৰ্বত্য অঞ্চল বিভাগৰ মন্ত্ৰী |
| ৭ | চৰাইদেউ | ৩০ নৱেম্বৰ, ২০২১ | সোণাৰি ৰাজহুৱা খেল পথাৰ | **শ্ৰীযুত বিমল বৰা**, মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত যোগেন মহন**, মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পাৰ্বত্য অঞ্চল বিভাগৰ মন্ত্ৰী |
| ৮ | গোলাঘাট | ২ ডিচেম্বৰ, ২০২১ | সমন্বয় ক্ষেত্ৰ (সাধাৰণ খেলপথাৰ) | **শ্ৰীযুত কেশৱ মহন্ত**, মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুতা অজন্তা নেওগ**, মাননীয়া বিত্ত আৰু সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী<br>**শ্ৰীযুত অতুল বৰা**, মাননীয় কৃষি, পশু পালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী |

## আঁচনিখনৰ অৱলোকন

- সমগ্ৰ দেশৰ ভিতৰতেই এই আঁচনিখন প্ৰথম প্ৰচেষ্টা আৰু মাইক্ৰ'ফাইনেন্স সংস্থাসমূহৰ পৰা ক্ষুদ্ৰ ঋণ লোৱা ব্যক্তিসকলক উদগনি আৰু সকাহ প্ৰদান কৰাই হৈছে আঁচনিখনৰ উদ্দেশ্য।
- প্ৰথম শ্ৰেণীৰ ঋণীক ২৫,০০০ টকা অথবা মুঠ অনাদায় ঋণৰ যিটোৱেই কম, সেই পৰিমাণৰ উদগনিমূলক সাহায্য চেকৰ জৰিয়তে প্ৰদান কৰা হ'ব।
- প্ৰথম শ্ৰেণীৰ হিতাধিকাৰীসকলক উদগনিমূলক সাহায্য প্ৰদান কৰাৰ পিছত বাকী দুটা শ্ৰেণীৰ হিতাধিকাৰীক পৰ্যায়ক্ৰমে সকাহ প্ৰদান কৰা হ'ব।

**বিত্ত বিভাগ | অসম চৰকাৰ**


দেওবৰীয়া দৈনিক
অগ্ৰদূত
ক্ৰীড়াভূমি/ক্ৰীড়াভূমি
গুৱাহাটী, ২৮ নৱেম্বৰ ২০২১
দেওবাৰ, পৃষ্ঠা ১৫

### ২৯৬ ৰাণত প্ৰথম ইনিংছ সমাৰিলে নিউজিলেণ্ডে ঃ অক্ষৰৰ পাঁচটা উইকেট

# প্ৰথম টেষ্টত ভাৰতৰ অগ্ৰগতি



**কানপুৰ, ২৭ নৱেম্বৰ ঃ** ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টৰ প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছে। উল্লেখ্য যে ভাৰতৰ প্ৰথম ইনিংছৰ 345 ৰাণৰ প্ৰত্যুত্তৰত নিউজিলেণ্ডে আজি 296 ৰাণত প্ৰথম ইনিংছ সামৰে। ইফালে, তৃতীয় দিনাৰ খেলৰ অন্তত ভাৰতে দ্বিতীয় ইনিংছ আৰম্ভ কৰি শুভমন গিল (1] ৰ উইকেটতো হেৰুৱাই সংগ্ৰহ কৰিছে 14 ৰাণ। দিনান্তত উইকেটত আছে মায়ংক আগৰৱালা (4] আৰু চেতেশ্বৰ পূজাৰা (9] ¼ প্ৰথম ইনিংছত 49 ৰাণৰ অগ্ৰগতি লাভ কৰা ভাৰতে এতিয়া হাতত নটা উইকেট থকা অৱস্থাত 63 ৰাণত আগবাঢ়ি আছে। উল্লেখ্য যে ভাৰতৰ প্ৰথম ইনিংছৰ 345 ৰাণৰ প্ৰত্যুত্তৰত কালি দ্বিতীয়দিনা নিউজিলেণ্ডে কোনো উইকেট নেহেৰুৱাকৈ প্ৰথম ইনিংছত সংগ্ৰহ কৰিছিল 129 ৰাণ। দলক সুন্দৰ আৰম্ভণি দিছিল দুই অপেনাৰে। কিন্তু আজি 151 ৰাণৰ যুটি কৰাৰ পাছত উইকেটত থকা দুই অপেনাৰ ইয়ং (89 ৰাণ) আৰু লাথাম (95 ৰাণ) শতক অবিহনে আউট হয়। লগে লগে সমাপ্ত হয় নিউজিলেণ্ডৰ ইনিংছো। কিৰি বহিনীয়ে 145 ৰাণত হেৰুৱাই 10 টা উইকেট। ব্যৰ্থ হয় কেন উইলিয়ামছন (18], ৰ'জ টেইলৰ (11] আৰু নিকলছ (2] ¼ উল্লেখ্য যে ভাৰতক মেচলৈ প্ৰত্যাৱৰ্তন কৰাত মূখ্য ভূমিকা লয় স্পীনাৰ অক্ষৰ পেটেলে। 62 ৰাণত পাঁচটা উইকেট লাভ কৰে অক্ষৰে। আনহাতে, ৰবীচন্দ্ৰন অশ্বিনে তিনিটা আৰু উমেশ যাদৱ আৰু ৰবীন্দ্ৰ জাডেজাই এটাকৈ উইকেট পায়।

## ঋদ্ধিমান সাহাৰ আঘাত

## তৃতীয়দিনা উইকেটৰক্ষকৰ দায়িত্ব ল'লে নৱাগত ভৰতে

**কানপুৰ, ২৭ নৱেম্বৰ ঃ** ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টৰ আজি তৃতীয়দিনা ভাৰতৰ হৈ উইকেটৰক্ষকৰ দায়িত্ব লয় নৱাগত কে এছ ভৰতে। উল্লেখ্য যে টেষ্টখন খেলা ভাৰতৰ উইকেটৰক্ষক ঋদ্ধিমান সাহা আঘাতপ্ৰাপ্ত হোৱাত চিকিৎসকে তেওঁক খেলাৰ পৰা আঁতৰাইছে বুলি বি চি চি আয়ে জনায়। সেয়ে আজি তৃতীয়দিনা ভাৰতৰ হৈ উইকেটৰক্ষকৰ দায়িত্ব লয় ভৰতে। উল্লেখ্য যে ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটো 3–0 ত লাভ কৰাৰ পাছত এতিয়া লক্ষ্য লৈছে দুখনীয়া টেষ্ট শৃংখলা জয় কৰা। কিন্তু চলিত টেষ্টত ভাৰতৰ সন্মুখত প্ৰত্যাহ্বান আছে। কাৰণ বিৰাট কোহলি, ৰোহিত শৰ্মা আৰু লোকেছ ৰাহুল নাই দলত। উল্লেখ্য যে নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা চলিত দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্টত খেলা নাই বিৰাট কোহলিয়ে। সেয়ে দলক নেতৃত্ব দিছে অজিংক্য ৰাহানে। কিন্তু দ্বিতীয় টেষ্টত বিৰাটে দলত যোগ দি পুনৰ নেতৃত্ব দিব। দলত নাই ৰোহিত শৰ্মা, যশপ্ৰীত বুমৰাহ আৰু ঋষভ পণ্টো। কিন্তু অভিষেক কৰা শ্ৰেয়াছে নতুন আশা আনিছে ভাৰতীয় শিবিৰলৈ। উল্লেখ্য যে ভাৰতৰ প্ৰথম ইনিংছৰ 345 ৰাণৰ প্ৰত্যুত্তৰত নিউজিলেণ্ডে আজি 296 ৰাণত প্ৰথম ইনিংছ সামৰে। ইফালে, তৃতীয় দিনাৰ খেলৰ অন্তত ভাৰতে দ্বিতীয় ইনিংছ আৰম্ভ কৰি এক উইকেট হেৰুৱাই সংগ্ৰহ কৰিছে 14 ৰাণ। প্ৰথম ইনিংছত 49 ৰাণৰ অগ্ৰগতি লাভ কৰা ভাৰতে এতিয়া হাতত নটা উইকেট থকা অৱস্থাত 63 ৰাণত আগবাঢ়ি



## প্ৰথম ইনিংছৰ অগ্ৰগতি সাফল্যৰ দৃষ্টিৰে গুৰুত্বপূৰ্ণ হ'ব ঃ অক্ষৰ

**কানপুৰ, ২৭ নৱেম্বৰ ঃ** 'প্ৰথম ইনিংছৰ অগ্ৰগতি আমাৰ বাবে গুৰুত্বপূৰ্ণ। অৱশ্যে আমি আশা কৰিছিলো এশ ৰাণৰ অগ্ৰগতি। কিন্তু অপেনাৰে সুন্দৰ বেটিং কৰিছে। স্বাভাৱিকতে আমি শক্তিশালী স্থিতিত আছো। আনহাতে, এই সবল স্থিতিৰ মূলতে হ'ল আমাৰ বেটছমেনৰ প্ৰথম ইনিংছৰ দৃঢ়তা বেটিং। ৰাণ কৰাৰ বাবে আমি বলিং কৰাত সুযোগ পাইছো আৰু সফল হৈছো।' এই মন্তব্য ভাৰতীয় স্পীনাৰ অক্ষৰ পেটেলৰ। উল্লেখ্য যে ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টৰ প্ৰথম ইনিংছত 63 ৰাণৰ অগ্ৰগতি লাভ কৰিছে। ভাৰতৰ প্ৰথম ইনিংছৰ 345 ৰাণৰ প্ৰত্যুত্তৰত কোনো উইকেট নেহেৰুৱাকৈ 151 ৰাণ কৰিছিল নিউজিলেণ্ডে। কিন্তু ভাৰতক মেচলৈ প্ৰত্যাৱৰ্তন কৰাত মূখ্য ভূমিকা লয় স্পীনাৰ অক্ষৰ পেটেলে। 62 ৰাণত পাঁচটা উইকেট লাভ কৰে অক্ষৰে। ইয়াৰপূৰ্বে ভাৰতে 345 ৰাণত প্ৰথম ইনিংছ সামৰে। উল্লেখ্য যে এই টেষ্টতে অভিষেক কৰা শ্ৰেয়াছ আয়াৰৰ দৃঢ়তাপূৰ্ণ শতক আৰু অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাডেজাৰ অনবদ্য 50 ৰাণৰ সহায়ত ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে দৃঢ় স্থিতিত উপনিত হৈছিল অভিষেক টেষ্ট মেচতে অনবদ্য গৌৰৱময় শতক অৰ্জন কৰিছে ভাৰতৰ শ্ৰেয়াছ আয়াৰে। এই সফলতা লাভ কৰা আয়াৰ ভাৰতৰ 16 নম্বৰ বেটছমেন। টেষ্টৰ প্ৰথমদিনা চাৰি উইকেটত 258 ৰাণ কৰিছিল ভাৰতে। টছত জয়ী হৈ ভাৰতে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয় যদিও অপেনাৰ শুভমন গিল (52 ৰাণ) ৰ অৰ্ধশতকৰ বাবে বাকী তিনি অভিজ্ঞ বেটছমেন অধিনায়ক অজিংক্য ৰাহানে (35 ৰাণ), চেতেশ্বৰ পূজাৰা (26 ৰাণ) আৰু মায়ংক আগৰৱাল (13 ৰাণ) ব্যৰ্থ হয়। কিন্তু শ্ৰেয়াছ আয়াৰ আৰু ৰবীন্দ্ৰ জাডেজাই শতকীয় যুটি বান্ধি ভাৰতৰ ইনিংছ নতুনকৈ গঢ়ে। আনহাতে, অশ্বিনে 35 ৰাণ কৰে। নিউজিলেণ্ডৰ টীম ছাউথীয়ে পাঁচটা আৰু জেমিছনে তিনিটা উইকেট দখল কৰে।

## ছিনিয়ৰ ৰাষ্ট্ৰীয় ছেপাক টাক্ৰ'ত অসমৰ ছোৱালীৰ ব্ৰঞ্জৰ পদক



**গুৱাহাটী, ২৭ নৱেম্বৰ ঃ** অসমৰ ছোৱালী দলে ছিনিয়ৰ ৰাষ্ট্ৰীয় ছেপাক টাক্ৰ' প্ৰতিযোগিতাত ৰেগু ইভেণ্টত ব্ৰঞ্জৰ পদক লাভ কৰিছে। অসম ছেপাক টাক্ৰ' সন্থাৰ সম্পাদক বিষুওৰাম নুনিছাই জনোৱা অনুসৰি ছেমিফাইনেলত উত্তৰ প্ৰদেশৰ বিৰুদ্ধে 18-21, 16-21 ৰ ব্যৱধানত পৰাস্ত হয় অসমৰ ছোৱালী দল। ইয়াৰপূৰ্বে কোৱাৰ্টাৰ ফাইনেলত অসমৰ ছোৱালী দলে 21-15, 21-18 ৰ ব্যৱধানত পৰাস্ত কৰিছিল তেলেংগনাক। উল্লেখ্য যে পঞ্জাৱত অনুষ্ঠিত হয় 31 সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় ছেপাক টাক্ৰ' প্ৰতিযোগিতা। প্ৰতিযোগিতাত অংশ লৈছিল অসমৰ পুৰুষ-মহিলাৰ দলে। অসমৰ মহিলা দলটোৰ সদস্যসকলক হ'ল ঃ প্ৰিয়া দেৱী, গায়ত্ৰী গগৈ, লক্ষী কিলিংপি, ৰিংচানা লাংথাছা, ডিম্পী গগৈ, সাগৰিকা চেতিয়া, শানশিখা চেলেং, লবিতা ভুজেল, অ'চান চান দেৱী, দেবিতা সিংহা, জয়ফাতম্বী দেৱী, ৰোশিনী দেৱী, সঞ্জিয়া সিংহা, প্ৰেমিতা সিংহা আৰু ঝান্সি ৰাণী। ইফালে,পুৰুষ দলটো হ'ল ঃ ৰাজেন সিং, সঞ্জীৱ হাজৰিকা, শিখৰ ডেকা বৰুৱা, প্ৰেম সিং, অমৰজিত সিং, বীৰকান্ত সিং, দীপক সিং, চি এইছ উল্লিন।



## সুন্দৰ আৰম্ভণি পাকিস্তানৰ

**ঢাকা, ২৭ নৱেম্বৰ ঃ** বাংলাদেশৰ বিৰুদ্ধে খেলা প্ৰথমখন টেষ্টত যোগ্য প্ৰত্যুত্তৰত দিছে পাকিস্তানে। উল্লেখ্য যে বাংলাদেশৰ প্ৰথম ইনিংছৰ 330 ৰাণৰ প্ৰত্যুত্তৰত পাকিস্তানে আজি দ্বিতীয় দিনা প্ৰথম ইনিংছ আৰম্ভ কৰি কোনো উইকেট নেহেৰুৱাকৈ 145 ৰাণ কৰিছে। দিনান্তত উইকেটত আছে দুই অপেনাৰ আবিদ আলি (93] আৰু ছফিক (52] ¼ উল্লেখ্য যে টেষ্টৰ প্ৰথমদিনা বাংলাদেশে বেটিং কৰি প্ৰথম ইনিংছত 49 ৰাণতে চাৰিটা উইকেট হেৰুৱাইছিল যদিও দিনান্তত চাৰিটা উইকেট 253 ৰাণ কৰি দৃঢ় স্থিতিত উপনীত হৈছিল। ঘৰুৱা দলক উদ্ধাৰ কৰে লিটন দাস (114] আৰু মুছফিকুৰ ৰহিমে (91] ¼ উভয়ৰে মাজত দুশ ৰাণৰ যুটি হয়। বাকীসকল বেটছমেন ব্যৰ্থ হয়। পাকিস্তানৰ হাছান আলিয়ে পাঁচটা উইকেট পায়। উল্লেখ্য যে ইয়াৰপূৰ্বে পাকিস্তানে তিনিখনীয়া টি-20 শৃংখলাৰ অন্তিম মেচটো বাংলাদেশৰ বিৰুদ্ধে জয়লাভ কৰি



3–0 ত শৃংখলা দখল কৰিছিল। তৃতীয় মেচত পাঁচ উইকেটত জয়ী হয় পাকিস্তান। পোনতে বেটিং কৰি বাংলাদেশে কৰে সাত উইকেটত 124 ৰাণ। প্ৰত্যুত্তৰত পাকিস্তানে পাঁচ উইকেটত 127 ৰাণ কৰি জয় অৰ্জন কৰে। স্মৰ্তব্য যে বাংলাদেশ ভ্ৰমণলৈ অহা পাকিস্তানে প্ৰথম দুখন টি-20 মেচত জয়লাভ কৰি শৃংখলা দখল নিশ্চিত কৰিছিল। পাকিস্তানে দ্বিতীয়খন টি-20 ত আঠ উইকেটত পৰাস্ত কৰে বাংলাদেশক। পোনতে বেটিং কৰা বাংলাদেশে 20 অভাৰত কৰে সাত উইকেট হেৰুৱাই 108 ৰাণ। প্ৰত্যুত্তৰত, পাকিস্তানে 18.1 অভাৰত দুটা উইকেট হেৰুৱাই 109 ৰাণ কৰি জয় অৰ্জন কৰে। ইয়াৰপূৰ্বে পাকিস্তানে প্ৰথম মেচত চাৰি উইকেটত পৰাস্ত কৰিছিল বাংলাদেশক। পোনতে বেটিং কৰা বাংলাদেশে 20 অভাৰত কৰে সাত উইকেট হেৰুৱাই 127 ৰাণ। প্ৰত্যুত্তৰত, পাকিস্তানে অন্তিম অভাৰত ছয় উইকেটত 132 ৰাণ কৰি জয় অৰ্জন কৰে।



কাৰ্যনিৰ্বাহকত প্ৰস্তুতিৰ বুজ ল'লে সভাপতি সোণোৱালে

## ভাৰতীয় অলিম্পিক সন্থাৰ বাৰ্ষিক সভা-নিৰ্বাচনলৈ সাজু অসম অলিম্পিক

**গুৱাহাটী, ২৭ নৱেম্বৰ ঃ** অহা 19 ডিচেম্বৰত গুৱাহাটীত অনুষ্ঠিত হ'ব ভাৰতীয় অলিম্পিক সংস্থাৰ বাৰ্ষিক সাধাৰণ সভা আৰু নিৰ্বাচন। অসম অলিম্পিক সন্থাই ৰাজ্য চৰকাৰৰ সহযোগত ভাৰতীয় অলিম্পিক সংস্থাৰ বাৰ্ষিক সাধাৰণ সভা আৰু নিৰ্বাচন আয়োজন কৰাৰ বাবে ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে। এই সন্দৰ্ভত আজি অসম অলিম্পিক সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত হয় বিশেষ কাৰ্যনিৰ্বাহক সভা। উল্লেখ্য যে অসম অলিম্পিক সন্থাই সভাপতি তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই সভাত অংশ লৈ আসন্ন গুৱাহাটীত অনুষ্ঠিত হ'বলগা ভাৰতীয় অলিম্পিক সংস্থাৰ বাৰ্ষিক সাধাৰণ সভা আৰু নিৰ্বাচনৰ সকলো প্ৰস্তুতি তথা কৰ্ম আচনি নিৰ্ধাৰণ কৰে। অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে জনোৱা অনুসৰি এই বাৰ্ষিক সাধাৰণ সভাত ভাৰতীয় অলিম্পিক সংস্থাৰ প্ৰায় দুশ প্ৰতিনিধিয়ে অংশ ল'ব। অসম অলিম্পিক সন্থাৰ সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিৰ্দেশত ইতিমধ্যে হেমন্ত কুমাৰ কলিতাৰ অধ্যক্ষতাত অসম অলিম্পিক সন্থাৰ এখন অভ্যৰ্থনা কমিটি গঠন কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মায়ো অসম অলিম্পিক সন্থাৰ লগত ইতিমধ্যে এই বিষয়ে যোগাযোগ কৰি সহযোগিতা কৰাৰ কথা ব্যক্ত কৰিছে অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে। অহা পহিলা ডিচেম্বৰত অসম অলিম্পিক সন্থাৰ কাৰ্যালয়ত আয়োজক কমিটিৰ সচিবালয় মুকলি কৰি অহা 19 ডিচেম্বৰত গুৱাহাটীত অনুষ্ঠিত হ'বলগা ভাৰতীয় অলিম্পিক সংস্থাৰ বাৰ্ষিক সাধাৰণ সভা আৰু নিৰ্বাচনৰ কাম-কাজ সুৰুঙা নৰখালৈ সম্পাদন কৰা হ'ব।

## আন্তঃজিলা বাস্কেটবল

**গুৱাহাটী, ২৭ নৱেম্বৰ ঃ** ৰয়েল গ্লোবেল বিশ্ববিদ্যালয়ত আৰম্ভ হৈছে আন্তঃজিলা বাস্কেটবল প্ৰতিযোগিতা। অহা পহিলা ডিচেম্বৰত সামৰণি পৰিব লগা উক্ত আন্তঃজিলা বাস্কেটবল প্ৰতিযোগিতাত জুনিয়ৰ ল'ৰা-ছোৱালী আৰু ছিনিয়ৰ পুৰুষ-মহিলাৰ খেল অনুষ্ঠিত হৈছে। অসমৰ বিভিন্ন জিলাৰ প্ৰায় 230 প্ৰতিযোগীয়ে উক্ত আন্তঃজিলা বাস্কেটবল প্ৰতিযোগিতাত অংশ লৈছে। ৰাজ্যৰ ক্ৰীড়া মন্ত্ৰী বিমল বৰাই আন্তঃজিলা বাস্কেটবল প্ৰতিযোগিতাখন উদ্বোধন কৰে। এই অনুষ্ঠানত উপস্থিত থাকে সাংসদ কুইন ওজা, প্ৰদান বৰুৱা, পল্লৱ লোচন দাস, বিধায়ক পৃথ্বিৰাজ ৰাভা, লক্ষ্য কোঁৱৰ, ৰিণিকি ভূঞা শৰ্মা, সঞ্জিৱ নাৰায়ন আদি।



## ৰুদ্ৰৰ বিৰুদ্ধে তিনিচুকীয়া টাউনৰ জয়

**গুৱাহাটী, ২৭ নৱেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি তিনিচুকীয়াত হোৱা মেচত তিনিচুকীয়া টাউন ক্লাবে ন উইকেটত পৰাস্ত কৰে ৰুদ্ৰ ক্লাবক। পোনতে বেটিং কৰি ৰুদ্ৰ ক্লাবে 15.5 অভাৰত 65 ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, তিনিচুকীয়া টাউন ক্লাবে 6.4 অভাৰত এটা উইকেট হেৰুৱাই 66 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে মুঠ 75 লাখ টকা প্ৰাইজমানি থকা এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাৰ চেম্পিয়ন দলে লাভ কৰিব 10 লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ। উল্লেখ্য যে প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ।

### ইণ্ডোনেছিয়া অপেন বেডমিণ্টনৰ পৰা বিদায় চিৰাগ-ৰেড্ডীৰো

## ছেমিফাইনেলত পৰাস্ত পি ভি সিন্ধু



**বালি, ২৭ নৱেম্বৰ ঃ** ভাৰতৰ পি ভি সিন্ধুই পুনৰবাৰ ছেমিফাইনেলতে নিজৰ অভিযান সামৰিলে। চলিত ইণ্ডোনেছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা ছেমিফাইনেলত সিন্ধুক 21-15, 9-21, 14-21 ৰ ব্যৱধানত পৰাস্ত কৰে ইণ্টাননে। উল্লেখ্য যে ইয়াৰপূৰ্বে যোৱা সপ্তাহত পি ভি সিন্ধুই ইণ্ডোনেছিয়া মাষ্টাৰ্ছতো ছেমিফাইনেলতে যাত্ৰা সামৰিছিল। জাপানৰ আকানে 21-13, 21-9 ৰ ব্যৱধানত পৰাস্ত কৰিছিল সিন্ধুক। চলিত প্ৰতিযোগিতাত কোৱাৰ্টাৰ ফাইনেলত সিন্ধুই 14-21, 21-19, 21-14 ৰ ব্যৱধানত জয়লাভ কৰিছিল। ইয়াৰপূৰ্বে দ্বিতীয় ৰাউণ্ডৰ মেচত সিন্ধুই 21-12, 21-18 ৰ ব্যৱধানত জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। উল্লেখ্য যে ইণ্ডোনেছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাত ব্যৰ্থ হোৱাৰ পাছত ভাৰতৰ পি ভি সিন্ধুই লক্ষ্য লৈছিল ইণ্ডোনেছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাত সফল হোৱাৰ। কিন্তু আশা কৰা ফল নাপালে। প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ মেচত সিন্ধুৱে 17-21, 21-17, 21-17 ৰ ব্যৱধানত কষ্টকৰ জয় অৰ্জন কৰছিল। ইফালে, সিন্ধুৰ লগতে আজি ছেমিফাইনেলত পৰাস্ত হয় ভাৰতৰ পুৰুষ ডাবলছ যুটি চিৰাগ চেট্টী আৰু ৰেংকিৰেড্ডী। ব্যৱধান হ'ল 21-16, 21-1 8 ¼ কোৱাৰ্টাৰ ফাইনেলত চিৰাগ চেট্টী আৰু ৰেংকিৰেড্ডী 21-19, 21-19 ৰ ব্যৱধানত জয়লাভ কৰিছিল।

## অসম প্ৰিমিয়াৰ ক্লাব ক্ৰিকেট চেম্পিয়নশ্বিপত সন্মিলন সংঘৰ জয়লাভ

**গুৱাহাটী, ২৭ নৱেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি কলিয়াবৰত হোৱা মেচত সন্মিলন সংঘই 158 ৰাণত পৰাস্ত কৰে চেকনি বৰহোলাক। সন্মিলন সংঘই 40 অভাৰত পাঁচ উইকেট হেৰুৱাই 220 ৰাণ কৰাৰ পাছত চেকনি বৰহোলাই 18 অভাৰত 62 ৰাণত ইনিংছ সামৰে। উল্লেখ্য যে মুঠ 75 লাখ টকা প্ৰাইজমানি থকা এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত হ'ব। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। এই স্তৰত স্থানীয় ক্লাবে নিজৰ নিজৰ এলেকাত হোৱা মেচত অংশ ল'ব। 24 নৱেম্বৰৰ পৰা 31 ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব প্ৰাৰম্ভিক ৰাউণ্ডৰ মেচ। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাৰ স্বীকৃত মুঠ জিলা গোট হ'ল 41 টা। সেয়ে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ পাৰম্ভিক ৰাউণ্ডৰ মেচ ৰাজ্যৰ 41 টা স্থানত অনুষ্ঠিত হ'ব। প্ৰতিটো স্থানতে জিলাৰ পঞ্জিয়ন থকা ক্লাবে প্ৰথম ৰাউণ্ডৰ মেচ খেলিব। প্ৰায় চাৰিশ ক্লাবৰ হৈ প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ খেলিব এ চি এৰ পঞ্জিয়ন থকা প্ৰায় ছয় হেজাৰ ক্ৰিকেটাৰে।

## অনুশীলনৰ অভাৱ ভাৰতীয় শ্বাটলাৰ ঃ গোপী

**হায়দৰাবাদ, ২৭ নৱেম্বৰ ঃ** ক্ৰমাগত দুখন আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ শ্বাটলাৰে সফলতা লাভ নকৰা সন্দৰ্ভত আজি দলৰ প্ৰশিক্ষক গোপীচান্দে কয় যে কৰ'নাৰ বাবে অনুশীলনত কিছু ব্যাঘাত হৈছে। উল্লেখ্য যে চলিত ইণ্ডোনেছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ পি ভি সিন্ধুই ছেমিফাইনেলতে যাত্ৰা সামৰিছে। ছেমিফাইনেলত পৰাস্ত হয় ভাৰতৰ পুৰুষ ডাবলছ যুটি চিৰাগ চেট্টী আৰু ৰেংকিৰেড্ডী। আনহাতে, কোৱাৰ্টাৰ ফাইনেলত ব্যৰ্থ হয় শ্ৰীকান্ত আৰু প্ৰনীথ। প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ মেচত জয় হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল ভাৰতৰ ছাই প্ৰনিথ আৰু কিদাম্বি শ্ৰীকান্তে। শ্ৰীকান্তে 21-15, 19-21, 21-12 ৰ ব্যৱধানত পৰাস্ত কৰে দেশৰে সতীৰ্থ প্ৰনয়ক। আনহাতে, প্ৰনিথে 21-19, 21-18 ৰ ব্যৱধানত জয়ী হয়। কিন্তু প্ৰনীথ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ব্যৰ্থ হয় শ্ৰীকান্ত। দ্বিতীয় ৰাউণ্ডৰ মেচত প্ৰনীথে 21-17, 14-21, 21-19 ৰ ব্যৱধানত জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে শ্ৰীকান্ত 14-21, 18-21 ৰ ব্যৱধানত পৰাস্ত হয়। উল্লেখ্য যে চলিত ইণ্ডোনেছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ আৰম্ভণি কিন্তু সুখৰ নাছিল। প্ৰথমদিনা ভাৰতৰ দুই পুৰুষ শ্বাটলাৰ লক্ষ্য সেন আৰু পাৰুপল্লী কাশ্যপে প্ৰথম ৰাউণ্ডতে পৰাস্ত হৈ বিদায় লয়। লক্ষ্য 21-23, 15-21 ৰ ব্যৱধানত পৰাস্ত হোৱাৰ বিপৰীতে 21-11, 21-14 ৰ ব্যৱধানত পৰাস্ত হয় কাশ্যপ। ইয়াৰপূৰ্বে উল্লেখ্য যে ভাৰতৰ তাৰকা শ্বাটলাৰ পি ভি সিন্ধুই শেহতীয়া ইণ্ডোনেছিয়া মাষ্টাৰ্ছত ছেমিফাইনেলতে যাত্ৰা সামৰিছিল। জাপানৰ আকানে 21-13, 21-9 ৰ ব্যৱধানত পৰাস্ত কৰে সিন্ধুক। আনহাতে, ছেমিফাইনেলতে অভিযান সামৰে শ্ৰীকান্তেও। এক্সনছেনে 21-14, 21-9 ৰ ব্যৱধানত পৰাস্ত কৰে কিদাম্বি শ্ৰীকান্তক। উল্লেখ্য যে পি ভি সিন্ধুৰ লগতে ছেমিফাইনেলত প্ৰৱেশ কৰিছিল ভাৰতৰ কিদাম্বি শ্ৰীকান্ত। কোৱাৰ্টাৰ ফাইনেলত ৰিঅ' আৰু টকিঅ' অলিম্পিকত পদকজয়ী কৰা ভাৰতৰ পি ভি সিন্ধুই 21-13, 21-10 ৰ ব্যৱধানত জয়লাভ কৰি মহিলাৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰাৰ লগতে পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ কিদাম্বি শ্ৰীকান্ত মুখামুখি হয় দেশৰে সতীৰ্থ এইছ এছ প্ৰনয়ৰ। কিদাম্বি শ্ৰীকান্তে 21-7, 21-18 ৰ ব্যৱধানত জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। কিন্তু ইণ্ডোনেছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাত ব্যৰ্থ হোৱাৰ পাছত ভাৰতৰ পি ভি সিন্ধু আৰু কিদাম্বি শ্ৰীকান্তে এতিয়া লক্ষ্য লৈছে ইণ্ডোনেছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাত সফল হোৱাৰ। কিন্তু প্ৰত্যাশিত ফল নাপালে।

## বড়ো ছহিদ কাপ ফুটবল

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ২৭ নৱেম্বৰ ঃ** লাংহিনত চলি থকা বড়ো ছহিদ কাপ ফুটবলৰ আজিৰ মেচত জয়লাভ কৰে ডিফুৰ জিৰপ' শিংৰী ফুটবল ক্লাবে। উত্তেজনাপূৰ্ণ মেচত জিৰপ' শিংৰী ফুটবল ক্লাবে 3–2 গ'লত পৰাস্ত কৰে হাওৰাঘাট ক্ৰীড়া সন্থাক। উল্লেখ্য যে এইবাৰৰ বড়ো ছহিদ কাপ ফুটবল প্ৰতিযোগিতাত মুঠ নটা দলে যোগদান কৰিছে। **আজি ফাইনেল ঃ** চলিত কিৰণ বৰা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ ফাইনেল মেচখন কাইলৈ অনুষ্ঠিত হ'ব জে এছ ক্লাব আৰু সুৰুজমুখী ক্লাবৰ মাজত।



টাইকোৱান-ড'ত সফলতা লাভ কৰা কলিয়াবৰৰ খেলুৰৈ।




স্বাস্থ্যসেৱা সঞ্চালকালয় (পৰিয়াল কল্যাণ), অসম

সত্যমেৱ জয়তে

অসম চৰকাৰ

National Health Mission
ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম

# স্বাস্থ্য বিভাগৰ ঐতিহাসিক সফলতা

ৰাজ্যখনৰ দীৰ্ঘদিনীয়া স্বাস্থ্যমন্ত্ৰী আৰু বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী
**ড° হিমন্ত বিশ্ব শৰ্মা**ৰ বলিষ্ঠ পদক্ষেপৰ প্ৰতিফলন

| Under-five mortality rate (U5MR) per 1,000 Live Birth | NFHS-3 (2005-06) | NFHS-4 (2015-16) | NFHS-5 (2019-20) | Improvement (in points) | Improvement (in %) |
|---|---|---|---|---|---|
| Assam | 84 | 56.5 | **39.1** | **17.4** | 31% |
| India | 74 | 49.7 | 41.9 | 7.8 | 16% |
| **Infant mortality rate (IMR) per 1,000 Live Birth:** | **NFHS-3 (2005-06)** | **NFHS-4 (2015-16)** | **NFHS-5 (2019-20)** | **Improvement (in points)** | **Improvement (in %)** |
| Assam | 66 | 47.6 | **31.9** | **15.7** | 33% |
| India | 57 | 40.7 | 35.2 | 5.5 | 14% |
| **Neonatal mortality rate (NNMR) per 1,000 Live Birth** | | **NFHS-4 (2015-16)** | **NFHS-5 (2019-20)** | **Improvement (in points)** | **Improvement (in %)** |
| Assam | | 32.8 | **22.5** | **10.3** | 31% |
| India | | 29.5 | 24.9 | 4.6 | 16% |

এই পৰিসংখ্যাসমূহে ৰাষ্ট্ৰীয় পৰ্যায়ৰ তুলনাত অসমৰ অগ্ৰগতি প্ৰতীয়মান কৰিছে আৰু অসমে প্ৰথমবাৰৰ বাবে এনে সফলতা প্ৰত্যক্ষ কৰিছে।

| Institutional births (%): | NFHS-3 (2005-06) | NFHS-4 (2015-16) | NFHS-5 (2019-20) |
|---|---|---|---|
| Assam | 22.4% | 70.6% | 84.1% |
| **Institutional births in Government facility (%):** | **NFHS-3 (2005-06)** | **NFHS-4 (2015-16)** | **NFHS-5 (2019-20)** |
| Assam | 13% | 60% | 74.4% |
| India | 18.0% | 52.1% | 61.9% |
| **Sex ratio at birth for children born in the last five years (females per 1,000 males)** | | **NFHS-4 (2015-16)** | **NFHS-5 (2019-20)** |
| Assam | | 964 | 929 |
| India | | 929 | 919 |

* Sex Ratio of Assam also has increased to 1012 females per 1000 males

"এই বৃহৎ সফলতাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ আন্তৰিক অভিনন্দন তথা কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে সমূহ বিষয়া-কৰ্মচাৰী, চিকিৎসক, নাৰ্চ, পেৰামেডিকেল কৰ্মী, আশাকৰ্মী- সকলোলৈকেও আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।"

**শ্ৰী কেশৱ মহন্ত**
স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী, অসম



NHM/D/2021-22/154